# চান্দমামা

অগাস্ট ১৯৯২



# চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী. উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

# ON YOUR MARK...GET SET...GO!

Ay, 92

2 খন পিক্‌চাৰ কাৰ্ড গোটালে পাবা
'দি মলটোভা বুক অব দি অলিম্পিক্‌ছ'।
সোনকাল কৰা! কিতাপখন পোৱাৰ অন্তিম তাৰিখ হ'ল 18 আগষ্ট, 1992।

আৰু 2 খন গোটোৱা আৰু লাভ কৰা এটা বিতোপন অলিম্পিক হাতঘড়ী।

বিনামূলীয়া পিক্‌চাৰ কাৰ্ড আৰু সবিশেষ 500 গ্ৰাম অলিম্পিক্স পেকত পাবা।

সোনকাল কৰা!
এই সুযোগ থাকিব
30 ছেপ্তেম্বৰ, 1992 লৈকে

**MALTOVA®**

স্বাস্থ্য, বল আৰু শক্তি বিজয়ী

JIL জাৰ্ডিন্‌ ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ এক উৎকৃষ্ট উৎপাদন।




everest/d92/JIL/130 ass

# চান্দমামা

*

অগাস্ট ১৯৯২

এই * আছে

সংখ্যাত

*


| | | | | | |
|---|---|---|---|---|---|
| সাংবিধানিক সাযুজ্য | : | ৭ | গছ তিতা ফল মিঠা | : | ৩৭ |
| ধাম আৰু সূচী | : | ৯ | লোকচানৰ হিচাপ | : | ৪০ |
| স্বামী নহওক দামী | : | ১১ | অক্ষম অলৌকিকত্ব | : | ৪১ |
| মায়া মহল | : | ১৭ | বীৰ হনুমান | : | ৪৫ |
| দুই চোৰ | : | ২৪ | আকল | : | ৫৩ |
| পানীৰ ঔ | : | ২৫ | বেজালি | : | ৫৭ |
| সহজীয়া | : | ৩১ | তন্ত্ৰ-শক্তি প্ৰেম-শক্তি | : | ৬০ |
| চান্দমামা-ক্ৰোড়পত্ৰ | : | ৩৩ | বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য | : | ৬৩ |


*

এতিয়া ফটো-নামকৰণৰ পুৰস্কাৰ ১০০ টকা!

'মেগী স্কাই ট্ৰেজাৰত' ভাবৰ
চেৰাই উৰা মাৰা।

'মেগী জিগছ' পাজল'-ৰে মেগীৰ
ৰোমাঞ্চক জগত জয় কৰা।

'মেগী এচ্ এডভেন্সাৰ' গেমত
সাগৰৰ পৰা আকাশলৈ যোৱাৰ
ৰোমাঞ্চ অনুভৱ কৰা।

'মেগী হু-ডান-ইট'
ৰহস্যময় গেম

# অকণ-অকণিহঁতৰ বাবে ৰোমাঞ্চক আকৰ্ষণ!

মেগী ক্লাবে বিনামূল্যে উপহাৰ বিলাইছে!

'মেগী ৰেইডাৰ্ছ অৱ দা ৰেড ষ্টাৰ'
গেমত অজান মুলুকৰ ধূৰ্ত সকলৰ
লগত সমানে ফেৰ মাৰা।

অকণ অকণিহঁত আহাঁ! মেগী ক্লাবত যোগ দিয়া আৰু
প্ৰৱেশ কৰা মেগীৰ ৰোমাঞ্চক জগতখনত!

তোমালোকে কেৱল এই [2-minute noodles logo] চিহ্নটো মেগী নুডল্‌ছৰ
৫ টকীয়া খালি পেকেটৰ সমুখ ফালৰ পৰা কাটি উলিওৱা
আৰু নিজৰ পচন্দৰ প্ৰতিটো বিনামূলীয়া উপহাৰ পাবৰ
বাবে আমালৈ পঠাই দিয়া। তোমালোকে ৬-৮ সপ্তাহৰ
ভিতৰতে মেগী ক্লাবৰ পৰা পাবা মনোমোহা উপহাৰ।
কি উপহাৰ লাগে সেই কথাৰ লগতে নিজৰ নাম, ঠিকনা
আৰু জন্মৰ তাৰিখ জনাবলৈ নাপাহৰিবা। তোমালোকৰ
মাজৰ মেগী ক্লাব সদস্য সকলে সদস্য নম্বৰো জনাবা।
এতিয়াও সদস্য নোহোৱা সকলে এইটো সুযোগ
নেহেৰুৱাবা। ওপৰত উল্লেখ কৰা মতে বিতং বিৱৰণবোৰ
পঠাওঁতে সদস্যতা কাৰ্ড বিচাৰি লিখিবা।
আমি উপহাৰৰ লগতে বিনামূলীয়াকৈ মেগী ক্লাব
সদস্যতা কাৰ্ড পঠাই দিম!

*আমাৰ ঠিকনা:*

**MAGGI CLUB**
P.O. Box 5788 New Delhi-110 055

বিনামূল্যে মেগী
'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ পুস্তিকা।
তোমালোকে গোটোৱা প্ৰতি ২ টকীয়া উপহাৰৰ
বাবদ পাবা মেগী 'ৱৰ্ল্ড অৱ এনিমেলছ' কুইজ
পুস্তিকা — বিনামূল্যে।

আৰু এটা কথা! তোমালোকে যদি মেগী বাৰ্ডহাউছ এতিয়াও গোটোৱা নাই তেনেহলে এতিয়া গোটোৱা।

ছুটীৰ দিন
ৰং-চঙীয়া
লগতে হোৱা
দহটকীয়া !
টীৰ দিন মানেই হ'ল অফুৰন্ত সময়ৰ সমদল। এই বছৰৰ ৰংচঙীয়া
ছুটীৰ দিনবোৰৰ ৰং-ধেমালিৰ লগে লগে কিছুখিনি ধন আৰ্জিলে কেনে পাবা ?
কেনেকৈ কি কৰিব লাগিব চোৱা
কেৱল ছাত্ৰসকলৰ বাবে !
বিষয় তেনেই সহজ : ১২টা ভাষাত ওলোৱা চান্দমামাৰ যিকোনো ভাষাৰ এজন বছৰেকীয়া গ্ৰাহক সংগ্ৰহ কৰিব লাগিব। যিকোনো ভাষাৰ চান্দমামাৰ এবছৰৰ বাবে গ্ৰাহক-মূল্য হ'ল ৪৮·০০ মাথোন। আৰু তাৰপৰা তুমি পাবা দহ টকা। এজন বছৰেকীয়া গ্ৰাহক সংগ্ৰহ কৰাৰ বাবে এই দহ টকা আমাৰ চান্দমামাৰ এজেন্টসকলে পোৱাতকৈও অধিক !
১0 জনক কৰিবা গ্ৰাহক,
১00 টকা ভৰাবা জেপত !
যিমান মন যায় সিমানেই গ্ৰাহক সংগ্ৰহ কৰি থাকা. কোনো বাধা নাই। আটাইতকৈ অধিক সংখ্যক গ্ৰাহক সংগ্ৰহকাৰী ১০ জন ছাত্ৰক ( ছাত্ৰীসকলো বাদ নহয় ! ) চান্দমামা স্কলাৰশিপ দিয়া হ'ব। তাৰ পৰৱৰ্তী ১০০ জনক দিয়া হ'ব ধুনীয়াবো ধুনীয়া চান্দমামা টি-শ্বাৰ্ট। তোমাৰ বিক্ৰিৰ দক্ষতা বাঢ়ক, বাঢ়ক তোমাৰ নাম. শিকা ৰাইজৰ মাজত কাম। এয়া উপৰঞ্চি পুৰস্কাৰ ! আঁচনিটো ভাল পাইছানে বাৰু ? পাইছা যদি—আমালৈ লিখি পঠাবা। লগতে স্কুলৰ বিৱৰণ আৰু ২ খন পাছপ'ৰ্ট ছাইজৰ ফটো পঠাবা। তেতিয়া তোমালৈ পঠোৱা হ'ব এখন পৰিচয়-পত্ৰ (আইডেনটিটি কাৰ্ড) আৰু লগতে গ্ৰাহক সংগ্ৰহ কৰাৰ ফৰ্ম। তলৰ ঠিকনালৈ লিখা :
CHANDAMAMA
Chandamama Subscription
Promotion Cell
188, N.S.K. Salai, Vadapalani, Madras - 600 026.

A CHANDAMAMA PUBLICATION

# চান্দমামা

সংস্থাপক : চক্ৰপাণি সঞ্চালক : বি নাগিৰেড্ডি

## সাংবিধানিক সাযুজ্য

পঞ্চাছ বছৰৰ আগেয়ে—১৯৪২ চনৰ অগাস্ট মাহৰ ৯ তাৰিখৰ দিনা, মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ জাতীয় কংগ্ৰেছে তদানীন্তন বৃটিছ শাসকইতক 'ভাৰত এৰা' অৰ্থাৎ 'ক্যুয়িট ইণ্ডিয়া' বুলি কৈছিল। প্ৰকৃতাৰ্থক ভাৰতক স্বাধীনতা প্ৰদান কৰিবলৈ কৈছিল। সেই বিশেষ দিনটোক সুঁৱৰিবলৈ যথোপযুক্ত প্ৰচেষ্টা চলোৱা হৈছে।

যিকোনো এখন দেশৰ সংবিধানেই সেইখন দেশৰ প্ৰকৃত চিনাকি দাঙি ধৰে। বহু বছৰৰ পাছত, আমাৰ সেই সংবিধান পৰিবৰ্তনৰও হয়তো সময় সমুপস্থিত। সম্ভহতে, ছোভিয়েত ইউনিয়ন ভংগ হ'ল আৰু এক নতুন সংবিধানৰ অধীনত কিছুমান নৱগঠিত দেশে যোগ দিলে, এক উমৈহতীয়া সংবিধানৰ অধীনত দুখন জাৰ্মানি এক হ'ল, য়ুগোস্লাৱিয়াই এক নতুন সংবিধান গ্ৰহণ কৰিলে, ক্যাম্বোডিয়া আৰু থাইল্যাণ্ডেও তেওঁলোকৰ সংবিধানৰ পুনৰ্লিখনৰ বাবে প্ৰচেষ্টা চলোৱা হ'ল।

১৯৫০ চনত যিখন ভাৰতীয় সংবিধান গ্ৰহণ কৰা হৈছিল, বিগত ৪২ বছৰত সেই সংবিধান ৭০ বাৰলৈ সংশোধিত তথা পৰিবৰ্তিত হৈছে। দেশৰ বুদ্ধিজীৱিসকলে আমাৰ সংবিধানলৈ দৃষ্টিপাত কৰা হৈছে, জাতিৰ প্ৰগতিশীলতাৰ বাবে ভবা-গুণা কৰিছে।

আমাৰ সংবিধানৰ কথা উত্থাপিত হ'লেই—আমাৰ সংবিধানৰ মহান স্থপতি ড° বি. আৰ. আম্বেদকাৰৰ কথা মনৰ দাপোণত ভাহি উঠে। সম্প্ৰতিতে তেওঁৰ জন্ম-শতবাৰ্ষিকী পালন কৰা হৈছিল। আমি এনেহেন স্থপতি আৰু পাম বুলি আশা কৰিব পাৰি।

বছৰ : ১৭ অগাস্ট ১৯৯২ সংখ্যা : ৫

বছৰেকীয়া বৰঙণি ৪৮·০০ টকা :: খনে ৪·০০ টকা

PolioPlus

# IMMUNIZATION AN ASSURANCE OF GOOD HEALTH TO CHILDREN

## VACCINATIONS When and How Many

| Age to Start Vaccination | Name of Vaccine | Name of Disease | How Many Times |
|---|---|---|---|
| Birth | **BCG** | **Tuberculosis** | Once |
| 6 weeks | **Polio** | **Polio** | Three times with intervals of at least one month |
| 6 weeks | **DPT** | **Diphtheria Pertussis (Whooping Cough) Tetanus** | Three times with intervals of at least one month |
| 9 months | **Measles** | **Measles** | Once |

**Babies should receive all vaccinations by the time they are twelve months old.**

Pregnant women should get themselves vaccinated against Tetanus (TT) twice—in an interval of at least one month—during the later stages of pregnancy.

**HEALTHY CHILD—NATION'S HOPE & PRIDE**

Design courtesy : World Health Organisation

# ধাম আৰু সূচী

যোৱা ২৭ এপ্ৰিলৰ দিনা, ভাৰতৰে সৈতে মুঠমাঠ পঞ্চাছখনমান দেশৰ প্ৰতিনিধিৰ উপস্থিতিত যুগোস্লাৰিয়া ফেডাৰ্যাল পাৰ্ল্যামেণ্টৰ এক সন্মিলনত সেইখন দেশৰ নতুন সংবিধান ঘোষিত হৈছে।

আজিৰ ফেডাৰ্যাল ৰিপাবলিক অভ্ যুগোস্লাৰিয়াত আগৰ ছখন গণতান্ত্ৰিক দেশৰ মাজত কেৱল ছাৰ্বিয়া আৰু মন্টেনেগ্ৰো দেশ দুখন আছিলগৈ। ক্ৰোয়েশ্বিয়া আৰু ছলভেনিয়া যোৱা বছৰেই বিচ্ছিন্ন হৈ গৈছিল। আৰু ছমাহমানৰ আগৰেপৰাই তাত গৃহযুদ্ধই মূৰ দাঙিছিল।

ক্ৰোয়েশ্বিয়াত যোৱা ছমাহৰ গৃহযুদ্ধত বহু সংখ্যক মানুহৰ মৃত্যু হ'ল, অসংখ্যাত দেশত্যাগ কৰি ভগনীয়া হৈ গুচি গ'ল।

ইউৰোপীয় কম্যুনিটিৰ উদ্যোগত তাত কমেও পোন্ধৰবাৰ শান্তিচুক্তি হৈছিল, কিন্তু— যদিও 'কেইঘণ্টীয়া' বুলি ক'ব নোৱাৰি— কেইদিনমানতেই সেই চুক্তিৰ চিয়াহি নোহোৱা হৈছিল। শেহান্তৰত— অৱস্থাৰ বেহৰূপ মাঠিমুঠি চাই শান্তি স্থাপনৰ বাবে সংযুক্ত ৰাষ্ট্ৰসংঘয়েই উদ্যোগ ল'লে আৰু ১৭ খন দেশৰপৰা সৰ্বমুঠ ১৪,০০০ সৈন্যক ভাৰতৰ লেফটেন্যাণ্ট জেনেৰাল শ্ৰীসতীশ নাম্বিয়াৰৰ নেতৃত্বত যুগোস্লাৰিয়ালৈ প্ৰেৰণ কৰিলে।

ইয়াৰে মাজত মুছলমান-অধ্যুষিত বোছনিয়াই বেলেগ হৈ থকাটোকে বিচাৰিলে। আৰু লগে লগেই মুছলমান আৰু ক্ৰেট্‌সকলৰ মাজত এক ভয়ংকৰ ৰক্তক্ষয়ী যুদ্ধ লাগি পৰিল।

ষষ্ঠ গণতন্ত্ৰ মাছিডোনিয়াই স্লাৱেনিয়া আৰু বোছনিয়া-হেৰ্‌জেগোবিনাৰপৰা বিচ্ছিন্ন হ'বলৈ বিচাৰিছে আৰু ইউৰোপীয় কম্যুনিটিৰ স্বীকৃতিলৈ বাট চাই আছে।

আজিৰ দুখন দেশৰ এই ফেডাৰ্যাল ৰিপাবলিক হ'বগৈ কুৰি শতিকাৰ তৃতীয় গণতন্ত্ৰ। প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪—১৮)

ফলত ১৯১৭ চনত অনুষ্ঠিত 'কোৰ্ফু চুক্তি' মতে—যুদ্ধৰ অন্তত ছোৰ্ভ্, ক্ৰোট তথা শ্লাৱেনি—সকলোটি মিলি এক হৈ মিলাপ্ৰীতিৰে থাকিব। এই চুক্তি ১৯১৮ চনৰ ডিছেমবাৰৰ ১ তাৰিখৰপৰা প্ৰযুক্ত হৈ ১৯২৯ চনত যুগোস্লাৱিয়া নাম লৈছিল। দ্বিতীয় বিশ্বযুদ্ধই মূৰ দঙাৰ লগে লগেই হিটলাৰে হঠাৎ যুগোস্লৰিয়া আক্ৰমণ কৰিলে। খামিডাট মাৰ্শ্বাল টিটোই তাৰপৰা জাৰ্মান সেনাক খেদিলে আৰু তাত কমিউনিস্ট ফেডাৰ্যাল ৰিপাবলিক স্থাপন কৰি তেওঁ নিজেই প্ৰধানমন্ত্ৰী হ'ল। ১৯৭৪ চনত ছুখন গণতান্ত্ৰিক দেশৰ সন্মিলিত ছোশ্যালিস্ট ফেডাৰেশ্যানৰ ৰূপত যুগোস্লাৱিয়াৰ নতুন সংবিধান ৰচিত হ'ল।

কিন্তু ১৯৮০ চনত মাৰ্শ্বাল টিটোৰ মৃত্যুৰ পাছত দেশব্যাপী আৰ্থিক সংকট, সীমা-বিবাদ, জাতি-কলহ ইত্যাদিয়ে অস্থিৰতা-অশান্তিৰ সৃষ্টি কৰিলে আৰু তাৰ অনিবাৰ্য্য পৰিণতি গৃহযুদ্ধও লাগি পৰিল।

আজিৰ ছাৰ্বিয়া তথা মান্তেনেগ্ৰোৰ মিলিত দেশ যুগোস্লাৱিয়াত স্থায়ী শান্তি স্থাপিত হোৱাটোৱেই আমাৰ আপোনাৰ বিশ্বৰ সকলোটিৰ কাম্য।

# স্বামী নহওক দামী

বিনয় আৰু বিনীতা নামৰ দম্পতিৰ একমাথোন ছোৱালী অনিতা আছিল অতি বুদ্ধিমতী গুণৱতী তথা অনুশাসন মানি চলা ছোৱালী। বিনয়ৰ সা-সম্পত্তিৰ একমাত্ৰ অধিকাৰী যে ভৱিষ্যতত তায়েই হ'বগৈ, সেই কথা জানি, চিনা-জনা আধাচিনা-আধাজনাইঁতৰ মাজত বহুতেই অনিতাক বোৱাৰী হিচাপে পাবলৈ বামেও নাও চলাই আছিল; কিন্তু একোপধ্যেই একো নহ'ল, অনিতাজনী বাঁহৰ গছৰ ভোল হৈহে ৰ'ল।

ইপিনে—দেউতাক বিনয়ৰ মন-কাণ এইবোৰ মিতিৰ-কুটুমত নাই, আছেগৈ মাত্ৰ তিনিজন ডেকাল'ৰাৰ ওপৰত। এই ডেকা তিনিজন আছিল যথাক্ৰমে—অমিত, পুলক, আৰু পবিত্ৰ।

অমিতহঁতৰ তুলনাত পুলক আৰু পবিত্ৰহঁতৰ ধন-ধান আছিল বহুগুণে বেছি। আৰু—অমিত-পুলক আৰু পবিত্ৰৰ মাজত দেখন-দৰ্পণে যদি তুলনা কৰা হয়, দেখাই-মেলাই পবিত্ৰহে আটাইতকৈ তজবজা তথা ধুনীয়া।

ভাবি ভাবি এদিন বিনয়ে তেওঁৰ জীয়েক অমিতাক ত'লে, "আই, তোমাক বিয়া কৰাবলৈ যে—অমিত, পুলক আৰু পবিত্ৰও ইচ্ছুক, নিশ্চয় কথাটো তুমিও জানা। সিহঁতৰ মাক-দেউতাকো একেদৰেই আগ্ৰহী। তোমাৰ মাৰাৰ—পবিত্ৰলৈহে মন। কিন্তু মোৰ ওচৰত সেই তিনিও একেই সমান। তুমি কেৱল বিদ্যাৱতীয়েই নহয়, গুণৱতীও। গতিকে—তুমি তোমাৰ নিজৰ বিদ্যা-বুদ্ধিৰে নিজৰ দৰাক এই

তপন ভুঞা

সিহঁতৰ তোলা-মহা পাই যাবা।"

কথা মতে কাম হ'ল, সেই তিনিওখন পৰিয়ালেই পূজাৰ উছৰৰ সময়ত বিনয়ৰ ঘৰলৈ অহা হ'ল।

ডেকা তিনিওজন ঘৰৰ বাৰান্দাত বহি মেল মাৰি থাকোঁতে সেই বাৰান্দাৰ কাষত থকা বাটেদি এজনী ফুল-বেচা ছোৱালী গৈ আছিল। তাই চামেলী ফুল বেচিছিল। তাইক দেখা পাই অনিতাও তালৈকে আহিল আৰু তাইক সুধালে।

পুলক নামৰ ডেকাজনে কৈ উঠিল, "হেঁ—কাণ্ড চোৱা, ঘৰৰ চাৰিওফালে ফুলেই ফুল, তথাপি ফুলৱালীৰ ফুল লাগিছে!"

অনিতাই কিবা ক'বলৈ নৌপাওঁতেই অমিতে কৈ উঠিল, "এঃ! ঘৰত ফুল থাকিলেই ফুল কিনিব নোৱাৰিনে? চামেলী ফুল দেখোন এই ফুলনিত নাই। গতিকে—যি নাই অথচ লাগে—লোৱাত আপত্তি কি?"

তেনেতে পবিত্ৰই কৈ উঠিল, "ঐ ছোৱালী, আৰু দেচোন—দে, আৰু ফুল দে। উছৰ-পৰবত ফুল ল'ব—বেছিকৈহে ল'ব লাগে, দিল্ খোল্কৰ্ ল'ব লাগে।" এই বুলি কৈ, গোটেইখিনি ফুলৰ দাম পবিত্ৰই দিলে।

কিন্তু পবিত্ৰৰ এই ওপৰহতীয়া কামৰ

তিনিওজনৰ মাজৰপৰা বাছি ল'বা লিবু আশা কৰিছো। তুমি যিজনক বাছিবা, তাৰ লগতে তোমাৰ যোৰা পাতি দিম।"

অনিতাই লাজ লাজ কৰি তাইৰ দেউতাকক ক'লে, "মই তেওঁলোকক চিনি পাওঁ, যদিও—তেওঁলোকৰ স্বভাৱ-চৰিত্ৰৰ বিষয়ে একোৰেই নাজানো, দেউতা।"

দেউতাক বিনয়ে কৈ উঠিল, "ঠিক আছে, হৈ যাব। আমাৰ ঘৰৰ দুৰ্গা পূজাত সিহঁত তিনিওকো পা-পৰিয়ালে তামোল-পাণ দি মাতিম আমাৰ ইয়ালৈ পূজাৰ দিনকেইটা থকাকৈ। তেতিয়া তুমি তিনিওকো পৰীক্ষা কৰি নিশ্চয়

ফলত অমিত অলপো নৰমিল। অমিতে ক'লে, "ঘৰত মাত্ৰ এজনীহে ছোৱালী। এজনী মাত্ৰছোৱালীয়ে সাজ-কাচ কৰোঁতে ইমান ফুল নালাগে। বেছিকৈ কিনি পেলাই দিয়াৰ সাৰ্থকতা কি?"

"এঃ, মূৰ গণিহে ফুল! কি কৈছাহে?" পৱিত্ৰই হাঁহি উঠিল, আৰু পুলকেও এই হাঁহিত যোগ দিলে।

তিনিওজনৰ কথাখিনি শুনি শুনি মিচিকীয়াই হাঁহি একো নোকোৱাকৈয়েই অনিতা ঘৰৰ ভিতৰলৈ গ'লগৈ।

অলপ পাছত এজন শাড়ী-বেপাৰী আহিল। বিনয়ে সেই শাড়ী-বেপাৰীক ক'লে, "পূজাত শাড়ী ল'লোঁৱেই নহয় তোমাৰপৰা? আকৌ আহিলা যে—?"

"একেবাৰে নতুন শাড়ীবোৰ আহিল—ভাবিলোঁ যে—আমাৰ অনিতা আইক দেখুৱাই আহোঁগৈ—।" বেপাৰীয়ে ক'লে।

বিনয়ে একো ক'বলৈ নৌপাওঁতেই পৱিত্ৰই কৈ উঠিল, "চাওঁ—তোমাৰ নতুন শাড়ীবোৰ কেনেকুৱা—চাওঁচোন।"

তিমানতে অনিতাজনীও লাহে-ধীৰে তালৈ আহিল।

পৱিত্ৰই কৈ উঠিল, "নতুন নতুন শাড়ী লৈ আহিছে বোলে এওঁ বেপাৰীয়ে। তোমাক কোনখন লাগে চাই লোৱা।"

"এয়া সিদিনা পূজাৰ শাড়ী দিলেই নহয় দেউতাই, এতিয়াই আকৌ নতুন শাড়ী নালাগে।" অনিতাই ক'লে।

কিন্তু হৰিয়ে এৰিলেও জৰীয়ে নেৰে। পৱিত্ৰই হাঁহি হাঁহি ক'লে তাইক, "পূজাৰ দিনত মোৰ ফালৰপৰা উপহাৰ বুলি ভাবি—লোৱাচোন এখন-দুখন যিমান-মন।"

তেতিয়া অমিতে ধীৰে-সুস্থিৰে ক'লে, "অনিতাৰ পূজাৰ শাড়ী আছে বুলি কৈছে, তেনেস্থলত আকৌ শাড়ী কিনি পইচা-বৰ্বাদ নকৰাই ভাল, পৱিত্ৰ। সেই পইচাখিনিৰে আন কিবা কিনি দিয়া, যদি কিবা দিবা বুলিয়েই ভাবিছা।"



অনিতাই কৈ উঠিল, "এইখন আপুনি —পালেনো ক'ত ? মই যে কিম্—মান বিচাৰিছিলোঁ, ক'তো পোৱাই নাছিলোঁ। আৰু—এই কবিজনাৰ কাব্যপুথি মোৰ যে ইমান প্ৰিয়—তাকো বা আপুনি জানিলে কেনেকৈ ?"

"আজি ৰাতিপুৱা মালা নামৰ তুমি তোমালোকৰ চুবুৰীয়া ছোৱালী এজনীক কথাটো কৈ থাকোঁতে মই শুনিছিলোঁ যে —বহু চেষ্টা কৰিও তুমি কিতাপখন পোৱা নাছিলা। চহৰলৈ গলাই মোৰ চকুত পৰাত লৈ আহিলোঁ। এয়া—তোমালৈ মোৰ মৰমৰ উপহাৰ !" অমিতে ক'লে।

অনিতাই লাজ লাজকৈ হাঁহিলে, কিন্তু কিতাপখন নোলোৱাকৈ নোৱাৰিলে।

সিদিনাই, ৰাতিৰ পৰতে বাৰান্দাত অমিত, পুলক আৰু পবিত্ৰৰ মাজত হৈ থকা কথাখিনি কাণত পৰাত অনিতাই থমকি ৰৈ দিলে।

পবিত্ৰই অমিতক কৈ আছিল, "অমিত, তোমাৰ হাতত টকা নাই—এই কথা মানি লোৱাটো—মোৰ পক্ষে টান।"

"সঁচাকৈয়েই কৈছোঁ, নাই। এয়া আজি আবেলিতে অনিতাৰ দেউতাৰাই মোৰপৰা টকা দুশ ধাৰলৈ ল'লে। পুলকক সুধি চোৱা—সি কিজানি দিব পাৰিব।"

"আন কিবাকিবি পাছতো হ'ব, আগতে শাড়ীকে লওঁচোন।" এই কথা কোৱাৰ অন্তত পবিত্ৰই এই বেপাৰীৰ ওচৰত থকা আটাইতকৈ দামী শাড়ীখনকে বাছি উলিয়ালে আৰু সেইখন তৎক্ষণাৎ কিনি লৈ অহংকাৰী চাৱনিৰে অমিত আৰু পুলকলৈ চালে।

সিদিনাই গধূলি পৰতে অমিত, পুলক আৰু পবিত্ৰ—তিনিও চহৰৰ পিনে গৈছিল ফুৰিবলৈ। অমিতে চহৰৰপৰা এখন কবিতাপুথি লৈ আহিছিল। উভতি অহাৰ পাছত কবিতা পুথিখন অমিতে অনিতাক উপহাৰ দিয়া দি মৰমতে দিলে।

অমিতে পবিত্ৰক ক'লে।

"পুলক! হেঁঃ। চিকটাৰো চিকটা। তাৰ সদায় নিদিবৰ দেওবাৰ।" পবিত্ৰই বিদ্ৰূপ কৰি ক'লে।

ইহঁতৰ কথাখিনি শুনি অনিতাই পোনে পোনেই তাইৰ দেউতাকক কথাটো সুধিলেগৈ, "দেউতা, আপুনি অমিতৰপৰা টকা কিছুখিনি ধাৰ হিচাপে লৈছেনে কিবা কাৰণত?"

শুনি বিনয়ে আচৰিত মানি সুধিলে, "কথাটো—তুমিনো জানিলা কেনেকৈ?"

অনিতাই দেউতাকক খুলি-মেলি সকলো কথা ক'লে।

তেতিয়া বিনয়ে ক'লে "অ'—! কথা তেন্তে তেনেকুৱা! আচলতে কি হৈছে জানা—মই কিন্তু অমিতৰপৰা এক পইচাও লোৱা নাই। কিন্তু অমিতে মোক কৈছিল যে—যদি পুলক বা পবিত্ৰই মোক কিবা সোধে, তেনেহ'লে মই অমিতৰপৰা দুশ টকা ধাৰলৈ লৈছোঁ বুলি কওঁ যেন। ইয়াৰ মাজত নিশ্চয় কিবা কথা আছে বুলি ভাবিও—মই অমিতৰ কথাত 'হয়' কৰিছিলোঁ। পাছত পবিত্ৰই মোক সঁচাসঁচিকৈ সুধিছিল আৰু ময়ো অমিতৰ-পৰা টকা ধাৰলৈ লোৱা বুলি কৈছিলোঁ।" এই বুলি কৈ বিনয়ে মিচিক-মাচাককৈ

হাঁহি থাকিল।

দেউতাকৰপৰা কথাখিনি শুনি অনিতাই বৰ ভাল পালে। তাই দেউতাকক ক'লে যে—তেওঁ অমিতৰপৰা সঁচাসঁচিক টকা দুশ লয় যেন।

বিনয়ে ভুৰু কোঁচাই সুধিলে, "মই তাৰপৰা—ধাৰলৈ টকা খুজিম? আমাৰ টকাৰ কি দৰকাৰ পৰিল?"

"দেউতা, মোৰ কথা মতে—টকাখিনি অমিতৰপৰা লৈয়েই চাওকেইচোন কি হয়।" এই কথা কৈয়েই তাই তাৰপৰা ওলাই গ'ল।

পাছদিনা—অমিত, পুলক আৰু পবিত্ৰ

বিনয় ডাঙৰীয়াৰ ঘৰৰপৰা গুচি গ'ল।

সিহঁত গুচি-যোৱাৰ অন্তত বিনয়ে টকা ত্ৰিশ জীয়েকক দিলেহি;

বিনয়ে ক'লে, "হেঁা, এয়া লোৱা, অমিতৰপৰা টকা ত্ৰিশ ধাৰলৈ ল'লোঁ। অমিতে ক'লে যে—টকাখিনি ওভোতাই দিবলৈ খৰখেদা নকৰিলেও হ'ব।" ক্ষন্তেকমান ৰৈ তেওঁ পুনৰ জীয়েকক ক'লে, "তোমাৰ পৰীক্ষা-নিৰীক্ষা নিশ্চয় শেষ হ'ল। কোৱা, কাক তুমি বাছি উলিয়ালা। অমিতক নিশ্চয় নহয়?"

অনিতাই তালমূৰ হৈ মূৰ দুপিয়ালে।

মাক বিনীতাই ঘপ্‌কৈ সুধিলে, "সিনো পবিত্ৰতকৈ কি গুণে ভাল হ'ল— যুইগ্য হ'ল?"

অনিতাই মৃদুকৈ হাঁহি মাৰি ক'লে, "মা, পবিত্ৰ ধনী-মানুহ, ধোঁৱাখুলীয়াৰ দৰে ধন উৰাই দিয়াত কোনো কাৰ্পণ্য নাই; কিন্তু পবিত্ৰ হ'ল অত্যন্ত অহংকাৰী। পুলক হ'ল অৱস্থাৰ ফালৰপৰা পবিত্ৰৰ বিপৰীত, কিন্তু অতি লোভী মানুহ। আৰু— অমিত হ'ল মজলীয়া-বিধৰ। ধনৰ সদ্ব্যৱহাৰ আৰু মনৰ সৎ ব্যৱহাৰ কেনেকৈ কৰিব লাগে, তেওঁ বৰ সুন্দৰকৈ জানে। প্ৰয়োজনত তেওঁ ব্যয় কৰিবলৈ কাৰ্পণ্য নকৰে, কিন্তু অপ্ৰয়োজনত বাহাদুৰি দেখুৱাত তেওঁ নাই। জীৱনত স্বস্তিৰে সৈতে সুখী হ'বলৈ হ'লে স্বামী দামী নহৈ এনেহেন স্বামীয়েই কাম্য বুলি মোৰ বিশ্বাস। সেই বিশ্বাসতে স্থিৰ হৈ মই অমিততে স্থিৰ হ'লোঁ।"

"বাৰু, ঠিক আছে'—তেলে-টেকেলিয়ে মিলিছে যদি মিল হওকেই বাৰু, আমি মেদেৰাখিনি আঁতৰোঁ—।" এই বুলি কৈ গিৰিয়েকলৈ ঘোপাকৈ চাই মুখত হাঁহি উজলাই খৰলি পাক এটা মাৰি মাক কোঠাৰপৰা গুচি গ'ল আৰু বাপেক-জীয়েক একেলগে হো হোৱাই হাঁহি উঠিল।



# মায়া মহল

৩

[আগৰ কথা : বীৰগিৰি ৰাজ্যৰ ৰাজকুঁৱৰী অকস্মাৎ অসুস্থ হৈ পৰিছিল আৰু প্ৰধান জ্যোতিষাচাৰ্য্যৰ পৰামৰ্শমতে মহাৰাজে ৰাজকুঁৱৰীক সাৰস সৰোবৰৰ সোঁমাজত থকা দ্বীপৰ বিশ্ৰাম-গৃহত থৈ দিয়া হৈছিল। ইতিমধ্যে মহাৰাজ-মহাৰাণীয়ে জ্যোতিষাচাৰ্য্য বাচস্পতিৰ পৰামৰ্শক্ৰমে সাৰস সৰোবৰৰ বিশ্ৰাম-গৃহলৈ গৈ ৰাজকুঁৱৰীক চুবাৰ চাই আহিছিলগৈ। কিন্তু জ্যোতিষাচাৰ্য্যৰ আৰু মহাচাৰ্য্য জগৎপতিৰ পৰামৰ্শমতে তৃতীয়বাৰ তালৈ গৈ মহাৰাজ-মহাৰাণীয়ে ৰাজকুঁৱৰীক বিভবিতকৈ বিচাৰিও ক'তো-কেনিও বিচাৰি নাপালে। সেই সাৰস সৰোবৰৰ বিশ্ৰাম-গৃহৰপৰা নোহোৱা হোৱাৰ আগতে তাত কি ঘটিছিলনো ? ]

মাজনিশা ৰাজকুঁৱৰী বিদ্যাৱতী হঠাৎ চঁক খাই উঠিল। শয্যাৰ ওপৰত উঠিল।

"ৰাজকুঁৱৰী ? উঠক। উঠি সাজু হৈ লওক। আমি এতিয়াই প্ৰাসাদলৈ উভতি যাব লাগিব। যিমান সোনকালে সম্ভৱ যাব লাগিব।" লিগিৰীজনীয়ে ক'লে।

"এই—মাজনিশাখন ? কিয় ?" ৰাজকুঁৱৰী বিদ্যাৱতীয়ে সন্দেহৰে সুধিলে।

"খবৰ আহিছে—মহাৰাজ হঠাৎ অত্যন্ত অসুস্থ হৈ পৰিছে। তেওঁ আপোনাক চাব খুজিছে। আমাক লৈ যাবলৈ নাৱৰীয়া নাৱেৰে সৈতে ৰৈ আছে।" বৃদ্ধা লিগিৰীজনীৰ চুলিবোৰ আউল লগা. তাই তলমূৰ হৈ থকা বাবে লিগিৰীজনীৰ মুখ স্পষ্টকৈ দেখা নগৈছিল।

ৰাজকুঁৱৰী বিদ্যাৱতী বৃদ্ধা লিগিৰীৰ



সৈতে বিশ্ৰাম-ভৱনৰ বাহিৰলৈ ওলাই আহিল। দুয়ো নাৱত উঠিলগৈ। উঠাৰ লগে লগেই নাৱৰীয়াই নাও মেলি দিলে।

টোপনিয়ে তেতিয়ালৈকো জোকাই থকা ৰাজকুঁৱৰীয়ে নাৱৰ এচুকত বহি কলমটিয়াই আছিল। কমলায়ো কোনো মাত-বোল কৰা নাছিল। কিন্তু হঠাৎ ৰাজকুঁৱৰীৰ চিলমিলনি ভাগিল। তেওঁ ভাবিলে: হঠাৎ দেউতাৰ ইমানেই বেয়াকৈ বেমাৰ হল'নে যে মাজনিশা যাব লগা হ'ল? কথা নো কি? —কিন্তু এইবাৰ যে নাৱেৰে সাৰস সৰোবৰ পাৰ হওঁতে বহুখিনি সময় লাগিল—সেই কথালৈ ৰাজকুঁৱৰীয়ে মনেই নকৰিলে।

সৰোবৰৰ সিপাৰত দোলা আৰু দোলাভাৰীহঁত ৰৈ আছিল। ৰাজকুঁৱৰীক দোলাত উঠিবলৈ ক'লে কমলাই। আৰু—ৰাজকুঁৱৰী দোলাত উঠি দিয়াৰ লগে লগেই দোলাভাৰীহঁতে যন্ত্ৰচালিতৰ দৰে দোলা কান্ধত উঠাই লৈ অতি দ্ৰুত গতিৰে গৈ থাকিল। ৰাজকুঁৱৰী দোলাৰ দোলনিৰে ঢুলি ঢুলি পুনৰ টোপনিৰ জালত পৰিল।

বহু সময়ৰ অন্তত দোলাখন হঠাৎ একতীয়া হৈ গ'ল, আৰু ৰাজকুঁৱৰীৰ টোপনিও টুটি গ'ল।

ৰাজকুঁৱৰীয়ে দোলাৰ পৰ্দা গুচাই মুখ উলিয়াই বাহিৰলৈ চালে। বাহিৰত তেতিয়ালৈকো নিকপকপীয়া অন্ধকাৰ।

কিন্তু এইডোখৰনো কি ঠাই?

এইডোখৰ অটব্য অৰণ্য—সেই কথা অন্ধকাৰৰ মাজতো ৰাজকুঁৱৰীয়ে উপলব্ধি কৰিলে। ৰাজকুঁৱৰীয়ে ভীত হৈ কমলাক বিচাৰিবলৈ ধৰিলে। কিন্তু কি দোলাৰ ভিতৰত কি বাহিৰত—আগত বা পিছত—ক'তো কমলাৰ চিন-মোকামও নাই!

আৰু তিমানতে দোলাভাৰীহঁতে দোলা মাটিৰ ওপৰত নমাই থ'লে।

লগে লগে এক নাৰী কণ্ঠই কৈ উঠিল,

"ৰাজকুঁৱৰী! অপুনি দয়া কৰি দোলাৰপৰা নামি আহক।"

বিহ্বাৱতী ৰাজকুঁৱৰী দোলাৰপৰা ওলাই নামি আহিল আৰু তেওঁ চাৰিওফালে বিস্ময়ভৰা দৃষ্টিৰে চাই থাকিল। চাৰিওফালে সৰু সৰু টিলা আৰু গভীৰ অৰণ্য!

আৰু তাতোকৈ অধিক বিস্ময়ৰে সৈতে ৰাজকুঁৱৰীয়ে দেখিলে যে—ইমানপৰে তেওঁ যিজনীক কমলা বুলি ভাবিছিল, দেখাত প্ৰায়-কমলাৰ বয়সৰ আৰু কমলাৰ দৰে হ'লেও—সেইজনী কমলা নহয়!

"ৰাজকুঁৱৰী, ৰ'লক। এতিয়াৰপৰা এই প্ৰাসাদতে আপুনি থাকিব।" কমলা-ৰূপী এই অচিনাকিজনীয়ে ক'লে।

"এই ঠাই—কোন ঠাই!"

ৰাজকুঁৱৰীয়ে সুধিলে, "তুমি কোন? মোক তুমি ইয়ালৈ লৈ আহিছা কিয়? মোৰ দেউতা অসুস্থ হৈ পৰা বুলি তুমি মোক কৈছিলা—কৈছিলা যে দেউতাই মোক চাব খুজিছে। মোৰ দেউতা ক'ত আছে ইয়াত? মই এই অট্টালিকালৈ আগে কদাপি অহা নাছিলোঁ। এই অট্টালিকা কাৰ? মোক তুমি ইয়ালৈ লৈ আহিলা কিয় শীঘ্ৰে কোৱা।"

"ৰাজকুঁৱৰী, মোৰ ওপৰত ক্ৰুদ্ধ নহ'ব। মই আপোনাৰ সকলো প্ৰশ্নৰ সঠিক উত্তৰ দিব নোৱাৰিম। কিন্তু—দুই-এটি প্ৰশ্নৰ উত্তৰ দিব পাৰিম। —এই অট্টালিকাটোৰ নাম হ'ল—মায়া মহল। এতিয়া—ইমানেই আপোনাৰ কাৰণে যথেষ্ট। লগতে আৰু জানি থওক—আমাৰ এই মায়া মহলত আপোনাৰ কোনো বিপদৰ সম্ভাৱনা নাই। ইয়াত—এই মায়া মহলত আপোনাৰ আৰাম-বিৰামৰ দায়িত্ব মোৰ। আপোনাৰ যাতে কোনো প্ৰকাৰৰ অসুবিধা নহয়—তাৰ কাৰণে মই সদায় সষ্টম হৈ থাকিম। তেতিয়ালৈকে......।"



মানুহজনীয়ে বৈ দিলে।

"কিন্তু—কেতিয়ালৈকেনো ? আৰু—তুমি কোন তাকো নক'লা দেখোন।" ৰাজকুঁৱৰী বিদ্যাৰতীয়ে--তাইৰ কথাৰ মাজতে কৈ উঠিল।

"আপুনি মোকো আপোনাৰ পৰিচাৰিকা 'কমলা' নামেৰেই মাতিব—" ইমানলৈকে কৈ ক্ষন্তেকমান বৈ পুনৰ ক'লে, "আমাৰ মালিকে যদি আপুনি ইয়াতে থকাটোকে বিচাৰে, আপুনি থাকিব লাগিবই।"

"কোননো তোমালোকৰ মালিক ?" ৰাজকুঁৱৰীয়ে দৃঢ় কণ্ঠেৰে সুধিলে।

"এই প্ৰশ্নৰ উত্তৰ আপুনি নিজেই লাহে-ধীৰে পাই যাব। এতিয়া মোৰ কথা মানি অনুগ্ৰহ কৰি ঘৰৰ ভিতৰলৈ ব'লক, সাৰস সৰোবৰৰ বিশ্ৰাম-ভৱনত আপোনাৰ টোপনি-খতি হ'ল, পুৰাই লওক, ইয়াত কোমল শয্যাত শোৱকহিঁ।" মানুহজনীয়ে ক'লে।

তাৰ পাছত এই মানুহজনীয়ে দোলা-ভাৰীহঁতক গুচি যাবলৈ কোৱাত সেই দোলাভাৰীহঁতে মানুহজনীক যথোচিত অভিবাদন কৰি তাৰপৰা গুচি গ'ল।

এইবাৰ মানুহজনীয়ে সেই অট্টালিকাৰ পিনে খোজ ল'লে আৰু ক'লে, "ব'লক, ৰাজকুঁৱৰী !"

মানুহজনীৰ দৃঢ়তাব্যঞ্জক কণ্ঠস্বৰ শুনি ৰাজকুঁৱৰী চকিত হ'ল আৰু নিৰৱে-নিমাতে সেই অচিনাকি মানুহজনীৰ পিছে পিছে বাধ্যত পৰি গৈ থাকিল।

*

মায়া মহল দেখাত অতি মনোহৰ। বিৰাট বিৰাট সুসজ্জিত প্ৰশস্ত কক্ষ আৰু সকলোতে—আনকি কক্ষৰ দেৱাল—স্তম্ভ আদিতো দৰ্পণ লগোৱা। দৰ্পণৰ ইমান সমাৰোহ আনকি ৰজাৰ ভৱনতো নাই। খোজে প্ৰতি ৰাজকুঁৱৰী বিদ্যাৰতীয়ে নিজৰ প্ৰতিবিম্বিত মূৰ্তি দেখি থাকিল।



কেইখোজমান যোৱাৰ পাছত ওপৰ মহললৈ যোৱা প্ৰধান সোপান পাই মানুহজনীয়ে মৃদুকৈ হাঁহি ৰাজকুঁৱৰীলৈ ঘূৰি চাই সোপানেৰে ওপৰলৈ উঠাৰ ইংগিত দিলে।

খটখটিয়েদি গৈ গৈ দুয়োজনীয়ে এক বিৰাট আকাৰৰ আহল-বহল তথা সুৰুচি সম্পন্নভাবে সুসজ্জিত কক্ষ পালেগৈ। এই কক্ষটো মূল্যবান হীৰা-মুকুতা জহৰতাদিৰে সজোৱা আছিল। এই কক্ষত থকা সকলো বস্তুৰপৰা আশ্চৰ্যময় আভা বিচ্ছুৰিত হৈ আছিল আৰু কক্ষৰ সকলোতে আছিল দৰ্পণৰ অপাৰ সমাৰোহ।

এই কক্ষত আছিল এখন অতি বিতোপন পালংক, আৰু সেই পালংকৰ ওপৰত দুগ্ধফেননিভ কোমল শয্যা। সেই শয্যালৈ আঙুলিয়াই মানুহজনীয়ে ক'লে, "ৰাজকুঁৱৰী! আপুনি এই শয্যাত বিশ্ৰাম গ্ৰহণ কৰক। মই পুনৰ আপোনাক নজগোৱালৈকে জাগি উঠাৰ কোনো প্ৰয়োজন নাই।"

মানুহজনীৰ কণ্ঠত আদেশৰ সুৰ।

এই আদেশৰূপী অনুৰোধৰ বিৰুদ্ধে প্ৰতিবাদ কৰি কোনো ফল নহ'ব বুলি ভাবি ৰাজকুঁৱৰীয়ে পালেঙৰ কোমল শয্যাত শুই চকুযুৰি মুদি দিলে।

চকু মুদি ৰাজকুঁৱৰীয়ে আকাশ-পাতাল ভাবি থাকিল।

কিয় এই মানুহজনীয়ে মোক এই ভয়াল ভয়ংকৰ মায়া মহললৈ লৈ আহিল? দেউতাৰ শাৰীৰিক অৱস্থা এতিয়া কেনেকুৱা? আচল কমলাই যেতিয়া ৰাতিপুৱা তেওঁক বিচাৰি পোৱা নাই—তেতিয়া সাৰস সৰোবৰৰপৰা ৰাজপ্ৰাসাদলৈকে কিমান যে হৈ-হুলস্থুল লাগি পৰিল! হে ঈশ্বৰ? মোৰ মা-দেউতাক, বৃদ্ধা লিগিৰী কমলাক ৰক্ষা কৰা! এই মায়া মহলত আগলৈ যে কি হ'ব কি নহ'ব--সেই কথা কোনে ক'ব?

—এইবোৰ এশ-এবুৰি কথাই ৰাজকুঁৱৰী বিদ্যাৰতীৰ মনত উজান-ভাটি লগালে।

*

সেনাপতি অগ্ৰসেন আছিল মহাৰাণী ব্ৰজেশ্বৰী দেৱীৰ ভায়েক। নাৰৰীয়াই হেঁফাই-ফোঁপাই আহি মহাৰাজে তাক ক'বলৈ পঠোৱা কথাখিনি কোৱাত—ক্ষন্তেকমানও পলম নকৰি সেনাপতি অগ্ৰসেন সাৰস সৰোবৰৰ বিশ্ৰাম-ভৱনলৈ লৰৰি গ'ল। তেতিয়া মহাৰাজে সকলো কথা সবিস্তাৰে সেনাপতিক ক'লে।

সেনাপতি অগ্ৰসেনে সাৰস সৰোবৰত নাও চলোৱা নাৰৰীয়াক জেৰাৰে জেৰবাৰ কৰিলে। কিন্তু এই কথা তেওঁ স্পষ্টৰূপে বুজি পালে যে, এই নাৰৰীয়াই ৰাজকুঁৱৰীৰ নিৰুদ্দেশ হোৱাৰ বিষয়ে একোৱেই ভু নাপায়, এই বিষয়ে এটা কথাও নাজানে।

সেনাধ্যক্ষ উগ্ৰসেনে বহু ধৰণে বিষয়টো চিন্তিবলৈ ধৰিলে। নাৰৰীয়াই যে সঁচা কথা কৈছে—সেই বিষয়ে তেওঁ নিঃসন্দেহ। কিন্তু—কিন্তু ৰাজকুঁৱৰী বিদ্যাৰতী ক'লৈ গ'ল? কি হ'ল তেওঁৰ?

সেনাধ্যক্ষ উগ্ৰসেনে মহাৰাজক ক'লে, "মহাৰাজ! এই সৰোবৰত আমাৰ নাওখনৰ বাহিৰে, অ'ন কোনো নাও নাই। গতিকে—ৰাজকুঁৱৰী নাৱত উঠি যোৱা বুলি মনে নধৰে। আৰু—সাৰস সৰোবৰৰ এনে গভীৰ আৰু বহল পানী সাঁতুৰি পাৰ হোৱাও অসম্ভৱ, আৰু—এনেকৈ বিপদ মূৰত লৈ যোৱাৰ প্ৰয়োজনও তো ৰাজকুঁৱৰীৰ নাছিল। গতিকে—এই বিশ্ৰাম-ভৱনলৈ কোনোবা-কুমুৰি আহিছিল আৰু যেনেকৈয়েই নহওক ৰাজকুঁৱৰীক লৈ গৈছিল। অৰ্থাৎ ৰাজকুঁৱৰীক অপহৰণ কৰা হৈছে!"

লিগিৰী কমলাক সাৰস সৰোবৰৰ বিশ্ৰাম-ভৱনতে থৈ, মহাৰাজ-মহাৰাণী আৰু সেনাপতি পুনৰ নাৱত উঠি বহিল।

# দুই চোৰ

কোনোবা এগৰাকী জমিদাৰৰ আমনিত এইবাৰ ওনা-ওনে আম লাগিল। সেই কাৰণে—যেৰে দেখে সেৰে বৈ দিয়ে, আৰু চুৰিও হয় প্ৰচুৰ। জমিদাৰে তেওঁৰ আমনিৰ পৰীয়াক ক'লে অধিক কটকটীয়াকৈ পহৰা দিবলৈ।

এদিন পৰীয়াই দহ বছৰীয়া আম-চোৰ ল'ৰা এটাক আমনিৰপৰা হাতে-লুটে ধৰিলে আৰু টান মাতেৰে সুধিলে, "তই কোন ? তই বাৰু—বীৰসিঙৰ ল'ৰানে কি ?"

ভয়তে ল'ৰাটোৱে মূৰ দুপিয়াই দিলে 'হয়' বুলি।

তেতিয়া পৰীয়াই দাঁত-মুখ কৰচি ক'লে, "বদমাছ ক'ৰবাৰ ! তোক এতিয়া কি লাগে ক'—তেঁতেলীৰ ঠাৰিৰে মৰেই তোক পিটিমনে তোক মেৰামতি কৰিবলৈ তোৰ বাপেৰৰ হাতত তোক দিম ?"

ল'ৰাটোৱে কঁপি কঁপি ক'লে, "মোক মোৰ দেউতাৰ হাততে দিয়া।"

"ঠিক আছে, ব'ল তেন্তে।"

ল'ৰাটোৰ হাতত ধৰি লৈ পৰীয়াই খোজ লোৱাৰ লগে লগেই ল'ৰাটোৱে ক'লে—"ৰ'—বা ! মই দেউতাক মাতিছো ৰ'বা। এই বুলি কৈ, ল'ৰাটোৱে তাৰ দেউতাকক মাতিলে, "দেউতা ! দেউতা !"

পাছমুহূৰ্তে এজোপা আমগছৰপৰা ল'ৰাটোৰ দেউতাক নামি আহিল। ল'ৰাটোৰ দেউতাকৰ পিঠিত আছিল এমোনা আম !

—ভৱানীশংকৰ

# পানীৰ ঔ

আত্মপ্ৰতিজ্ঞাত অটল ৰজা বিক্ৰমাদিত্য পুনৰ সেই গছজোপাৰ ওচৰলৈ গ'ল আৰু সেই গছৰ ডালৰপৰা ওলমি থকা মৰা আ'টো নমাই আনি কান্দত পেলাই লৈ আউসীৰ ঘোপমৰা এন্ধাৰৰ মাজেদি শ্মশানমুৰা হ'ল। তেতিয়া মৰা শ'ৰ মাজত থকা বেতালে অতিশয় গম্ভীৰ কণ্ঠেৰে কৈ উঠিল, "হে ৰজা! তুমি হয়তো প্ৰচণ্ড বিবেক-তাড়িত হৈ যুগ যুগ ধৰি এনেকৈ অক্লান্ত--অনিদ্ৰ শ্ৰম কৰি আছা, কিন্তু প্ৰকৃত বিবেচনা কৰি চালে হয়তো এনে পানীৰ ঔ টেঙাবিধৰ ব্যৰ্থ শ্ৰমৰপৰা নিৰস্ত হ'ব পাৰিবা। মোৰ এই কথাৰ উদাহৰণস্বৰূপে তোমাক আজি মই মালৱদেশৰ ৰাজপুত্ৰৰ কাহিনী ক'ম। কাহিনীটো মনপুতি শুনা।" এই বুলি কৈ, বেতালে সেই কাহিনী ক'বলৈ ধৰিলে ঃ

## 'বেতাল-কথা'



মালৱদেশৰ মহাৰাজ বীৰসিংহ যথেষ্ট বৃদ্ধ হৈছিল। তেওঁৰ আছিল মাত্ৰ একেটি পুত্ৰসন্তান। পুত্ৰৰ নাম সূৰ্য্যসিংহ। সূৰ্য্যসিংহ বয়সত যুৱা। গতিকে—পুত্ৰ সূৰ্য্যসিংহক যিমান সোনকালে সম্ভৱ বিবাহিত আৰু লগতে দেশৰ ৰজা হিচাপেও অভিষিক্ত কৰিবলৈ বৃদ্ধ মহাৰাজে মন মেলিলে। পুত্ৰৰ বিবাহৰ কাৰণে কইনাও চাই ফুৰিব নালাগে। কিয়নো—কুন্তলদেশৰ ৰাজকন্যা চন্দ্ৰ-প্ৰভাৰ সৈতে সূৰ্য্যসিংহৰ মৰমৰ আদান-প্ৰদানৰ কথা নজনা নহয় তেওঁ।

এদিন ৰাজপুত্ৰ সূৰ্য্যসিংহ ৰাজসভাৰ বিদূষকক লগত লৈ ঘোঁৰাই টনা ৰথত উঠি ফুৰিবলৈ ওলাল। গৈ গৈ তেওঁলোক গভীৰ অৰণ্যৰ কাষ পালেগৈ। অৰণ্যত বিভিন্ন জন্তু-জানোৱাৰৰ গৰ্জন আৰু অসংখ্যবিধৰ চৰাইৰ কূজন শুনি ৰাজপুত্ৰ সূৰ্য্যসিংহ মোহিত হৈ পৰিল।

এইদৰে, অৰণ্যৰ আশে-কাষে ফুৰি থাকোঁতে বেলিয়ে লাহ দিলে। যেতিয়া চাৰিওদিশ অন্ধকাৰ হৈ আহিল, তেতিয়া ৰাজপুত্ৰই ৰথৰ সাৰথিক বেগাই ৰাজধানীলৈ যাবলৈ আদেশ দিলে।

হঠাৎ এজাক হাতী অৰণ্যৰপৰা বাটৰ ওপৰলৈ ওলাই আহিল আৰু ঘোঁৰা দুটাই ভয় খাই বলিয়াৰ দৰে হৈ অৰণ্যৰ ভিতৰলৈ চেঁকুৰ ল'লে। সাৰথিয়ে ঘোঁৰা দুটাক নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে।

এনে আকস্মিক বিপদত পৰি ৰাজপুত্ৰ সূৰ্য্যসিংহ আৰু বিদূষক কিংকৰ্তব্যবিমূঢ় তথা হতভম্ব হৈ পৰিল আৰু বলিয়া ঘোঁৰাৰ ৰথৰপৰা জাঁপ মাৰি দিবনে কি ভাবি থাকোঁতেই তিনিও তিনি ঠাইত উফৰি পৰিল। বিদূষক আৰু ৰথৰ সাৰথি উফৰি পৰিলগৈ কাঁইটীয়া জোপোহা এটাৰ মাজত আৰু ৰাজপুত্ৰ পৰিলগৈ এটা কাকচক্ষু পানী থকা সৰোবৰত।

অলপ সময়ৰ পাছত ৰাজপুত্ৰ সূৰ্য্যসিংহ

তিতি-বুৰি সৰোবৰৰপৰা উঠি আহিল। তিমানতে বিদূষক আৰু সাৰথিও সেই কাঁইটীয়া জোপোহাৰপৰা ওলাই অহা হ'ল। সিহঁত দুটা যৎসামান্য আহত হৈছিল। কিন্তু ৰাজপুত্ৰ সূৰ্য্যসিংহৰ ৰেহৰূপ দেখি বিদূষক আৰু সাৰথি তধা লাগিল। সিহঁত দুটাই ৰাজপুত্ৰ সূৰ্য্যসিংহৰ পিনে অবাক দৃষ্টি মেলি চাই ৰ'ল।

ৰাজপুত্ৰ সূৰ্য্যসিংহই সিহঁত দুয়োকো সুধিলে, "কথানো কি? মোলৈ তেনেকৈ চাই আছা যে—?"

কিন্তু—নিজৰ মাত শুনি ৰাজপুত্ৰই নিজেই চঁক খাই উঠিল। তেওঁৰ পুৰুষোচিত কণ্ঠস্বৰৰ সলনি এয়ানো তেওঁ কি শুনিছে? ৰাজপুত্ৰই সবিস্ময়ে গমিলে যে—কেৱল তেওঁৰ কণ্ঠস্বৰেই নহয়, তেওঁৰ বেশ-ভূষা আচাৰ—আচৰণ—সকলো ছোৱালীহেন হৈ পৰিছে! পিন্ধনত শাড়ী-চুড়ী-খাৰু। কাণত কাণফুল—আৰু তেওঁৰ লৌহকঠিন দেহ এতিয়া লৱণু-কোমল!

তেতিয়াহে ৰাজপুত্ৰ সূৰ্য্যসিংহই বিদূষক আৰু সাৰথিয়ে তেওঁলৈ টঁটঁকৈ চাই থকাৰ অৰ্থ আৰু এই সৰোবৰতে যে এনেকুৱা কাণ্ড হ'ল—সেই কথাটোও বুজি পালে। এই সৰোবৰৰ পানীত নিশ্চয় কিবা-নহয়-কিবা ধৰণৰ অলৌকিক শক্তি আছেই, আৰু নিশ্চয় তাৰ কাৰণেই তেওঁৰ এনে দশা!



তাৰ পাছত তিনিও ৰাজধানীলৈ গ'ল।

পুত্ৰক পুত্ৰীৰ ৰূপত দেখি ৰাজদম্পতি শোকত আকুল হৈ পৰিল, এই কথা কেৱল ৰাজপ্ৰাসাদৰ চৌহদতে আৱদ্ধ হৈ নাথাকিল, কথাটো বনাগ্নিৰ দৰে সকলোতে বিয়পি পৰিল। সেইদিনা ৰাজপুত্ৰ সূৰ্যসিংহ ৰাজপ্ৰাসাদৰপৰা নোলোৱা হ'ল, লাজতে কুচিমুচি হৈ ঘৰতে সোমাই থাকিল।

ইপিনে—দেহ তথা বেশ-ভূষা নাৰীৰ হ'লেও মনৰ ভিতৰত ৰাজপুত্ৰ সূৰ্যসিংহ এতিয়াও পুৰুষ হৈয়েই আছে। অৰ্থাৎ—দেখাত নাৰী, কিন্তু প্ৰকৃতাৰ্থত পুৰুষ। তেওঁৰ ভাব-চিন্তা আগৰদৰেই হৈ আছিল। এনে পৰস্পৰবিৰোধী অৱস্থাই ৰাজপুত্ৰক খুলি খাই থাকিল।

বৃদ্ধ মহাৰাজ বীৰসিংহদেৱে তেওঁৰ ৰাজজ্যোতিষীক পুত্ৰৰ এই বিষম সমস্যাৰ সমাধান কৰিবলৈ ক'লে।

মহাৰাজৰ কথাৰ উত্তৰত ৰাজ-জ্যোতিষীয়ে ক'লে, "মহাৰাজ, আমাৰ এই ৰাজধানীৰ ঈশান কোণত যি মহাৰণ্য আছে, সেই মহাৰণ্যৰ অহিন কোণত আছে এক মায়াসৰোবৰ। এই মায়াসৰোবৰৰ পানীৰ সংস্পৰ্শলৈ আহা মানুহৰ ৰূপ পৰিৱৰ্তিত হয়। যুৱৰাজও সেই সৰোবৰৰ পানীত পৰিছিলগৈ, আৰু এই অথন্তৰত আমাৰ কৰিবলগীয়াও একো নাই।"

ৰাজ-জ্যোতিষীৰ কথা শুনি মহাৰাজ যথেষ্ট বিচলিত হৈ উঠিল। এনে অৱস্থাত তথা পৰিস্থিতিত যে কি ব্যৱস্থা অৱলম্বন কৰা কৰ্তব্য—বৃদ্ধ মহাৰাজে গভীৰ ভাবে চিন্তা কৰি থাকিল।

যি কি নহওক—মহাৰাজে কটকীৰ যোগেদি কুন্তলদেশৰ মহাৰাজলৈ এই দুঃখপ্ৰদ সম্বাদ প্ৰেৰণ কৰিলে আৰু ৰাজকুঁৱৰী চন্দ্ৰপ্ৰভাৰ বিবাহ আন ক'ৰবাত সাব্যস্ত কৰিবলৈ অনুৰোধ জানালে।

পত্ৰবাহক কটকীৰ হাতত ৰাজকুঁৱৰী

চন্দ্রপ্ৰভাই ৰাজকোঁৱৰ সূৰ্য্যসিংহলৈ এখন পত্ৰ লিখি পঠালে। সেই পত্ৰত এইখিনি কথা লিখা আছিল :

'যুৱৰাজ! আপোনাৰ যদি আপত্তি নাই, মই সেই মায়াসৰোবৰত নামি পুৰুষ ৰূপলৈ ৰূপান্তৰিত হ'ম। তেতিয়া আমাৰ বিবাহত আৰু কোনো বাধা নাথাকিব। এই বিষয়ে আপোনাৰ সন্মতিসূচক উত্তৰলৈ বাট চাই থাকিলোঁ।

এই পত্ৰ পাঠ কৰাৰ অন্তত ৰাজপুত্ৰ সূৰ্য্যসিংহই পত্ৰখন তেওঁৰ মাক-দেউতাকৰ হাতত দিলে।

পত্ৰখন পাঠ কৰি বৃদ্ধ মহাৰাজে পুত্ৰক সুধিলে, "তোমাক চন্দ্ৰপ্ৰভাই কিমান যে মৰম কৰে—এয়ে তাৰ চিন। চন্দ্ৰপ্ৰভাৰ প্ৰস্তাৱত তোমাৰ কোনো আপত্তি—নিশ্চয় নাই?"

সেই নাৰীৰূপী ৰাজকোঁৱৰ সূৰ্য্যসিংহই অকম্পিত কণ্ঠেৰে ক'লে, "চন্দ্ৰপ্ৰভাৰ এই প্ৰস্তাৱ মোৰ পক্ষে গ্ৰহণযোগ্য নহয়। এই প্ৰস্তাৱত স্বীকৃতি দিয়াৰ অৰ্থ হ'ব—অন্য বহুবিধ সংকটৰ সন্মুখীন হোৱা। মই আজিয়েই চন্দ্ৰপ্ৰভালৈ পত্ৰ লিখিম, আৰু—তাই যাতে আন কোনোবা যুৱৰাজক বিবাহ কৰি সুখী জীৱন যাপন কৰে—তাৰ বাবে টানি অনুৰোধ জনাম।"

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! কিয়নো ৰাজপুত্ৰ সূৰ্য্যসিংহই সিদ্ধান্ত লৈছিল? সূৰ্য্যসিংহ দৰাচলতে বিবেকহীন তথা অহংকাৰী নাছিলনে? চন্দ্ৰপ্ৰভা পুৰুষলৈ ৰূপান্তৰিত হ'লে নাৰী-ৰূপী ৰাজপুত্ৰৰ ওপৰত চন্দ্ৰপ্ৰভায়েই ৰৰমতালি কৰিব—তেওঁ পুৰুষবেশী চন্দ্ৰপ্ৰভাৰ তলতীয়া হৈ থাকিব লাগিব—এই ধাৰণাৰ বশৱৰ্তী হৈয়েই ৰাজপুত্ৰ সূৰ্য্যসিংহই চন্দ্ৰপ্ৰভাৰ উদাৰ তথা আত্মত্যাগমূলক প্ৰস্তাৱ পোনেই দলিয়াই পেলাইছিলনে? চন্দ্ৰপ্ৰভাক ৰাজপুত্ৰ সূৰ্য্যসিংহই যদি

ইমানেই ভাল পাইছিল—চন্দ্ৰপ্ৰভাই আন কাৰোবাক—বিয়া কৰাই সুখী জীৱন যাপন কৰক বুলি কেনেকৈনো লিখিছিল? যিকোনো ফালৰেপৰাই ভাবি চালে, বিচাৰ-বিবেচনা কৰি চালে ৰাজপুত্ৰ সূৰ্য্যসিংহক অত্যন্ত অবিবেকী তথা অসংবদ্ধ অহংকাৰী যেন নালাগেনে? মোৰ এইবোৰ প্ৰশ্নৰ সদুত্তৰ জানিও যদি গোপন কৰা, যদিহে নিদিয়া তোমাৰ মূৰ ওপৰত এতিয়াও সাত চৰি পানী থকা বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "ৰাজপুত্ৰ সূৰ্য্যসিংহৰ এই সিদ্ধান্তৰ কাৰণ নিৰ্ণয় কৰাটো কোনো টান কাম নহয়। এই কাৰ্য্য-কাৰণৰ সম্বন্ধ অতি স্পষ্ট। নাৰীৰ ৰূপ আৰু পুৰুষৰ মনোবৃত্তিৰে সৈতে জীৱন ধাৰণ কৰাটো যে কিমান কঠিন কৰ্ম—সেই কথা স্বয়ং ৰাজপুত্ৰ সূৰ্য্যসিংহই উপলব্ধি কৰিছিল। ৰাজকুঁৱৰী চন্দ্ৰপ্ৰভাই মায়াসৰোবৰৰ সহায়ত পুৰুষ ৰূপ প্ৰাপ্ত হোৱাহেঁতেন—চন্দ্ৰপ্ৰভাৰও মনৰ ভাব-চিন্তাৰ কিন্তু কোনো পৰিৱৰ্তন ন'হলহেঁতেন। তেতিয়া ইপিনে নাৰীৰূপী সেই ৰাজপুত্ৰৰ, আৰু সিপিনে পুৰুষৰূপী ৰাজকুঁৱৰীৰ জীৱনব্যাপী যে মানসিক যাতনা হ'লহেঁতেন—সেই কথা সহজেই অনুমেয়। আৰু ৰাজপুত্ৰ সূৰ্য্যসিংহই ৰাজকুঁৱৰী চন্দ্ৰপ্ৰভাক অকৃত্ৰিম ভাবে মৰম কৰিছিল বাবেহে—জীৱনব্যাপী যাতনাৰপৰা মুক্তি দিছিল চন্দ্ৰপ্ৰভাই আন কাৰোবাক বিবাহ কৰাবলৈ পৰামৰ্শ প্ৰদান কৰি। কিয়নো —জীৱন হ'ল অতি কঠোৰ বাস্তৱ, জীৱন পানীৰ ঔ টেঙা নহয়।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[আৰ.পি. আৰ. ৰাজুৰ ৰচনা অৱলম্বনত]

# সহজীয়া

মানপুৰৰ জমিদাৰ ডাঙৰীয়া আছিল কবিপ্ৰেমী তথা বিদ্যোৎসাহী ব্যক্তি। প্ৰতি বছৰ বসন্তোৎসৱৰ কালত তেওঁ কবিসকলক সাধ্যানুসাৰে সন্মানিত তথা আপ্যায়িত কৰিছিল। তেওঁৰ সভা-কবিৰ শিশুপুত্ৰইঁতেও কবিতা-পাঠ কৰি এই কাব্যপ্ৰেমীৰ মনোৰঞ্জন কৰিব পাৰিছিল।

এনেকুৱা তিনিটি বালক-কবিৰ সম্পৰ্কে এদিন জমিদাৰ ডাঙৰীয়াই ক'লে, "এই বংশগত ঐতিহ্যপ্ৰাপ্ত এই বালক-কবি তিনিটিৰ মই গুণগ্ৰাহী হৈ পৰিছোঁ।"

তেতিয়া জমিদাৰ ডাঙৰীয়াৰ দেৱানে কৈ উঠিল, "হুজুৰ! এই কথা কেৱল কথাৰ কথাহে, একেবাৰে ভাটৌৰে কোৱা কথা। কবিতা বংশগত ঐতিহ্যসূত্ৰে প্ৰাপ্ত হোৱা নাযায়। কবিতা—হ'ল একান্ত আন্তৰিক ব্যক্তিগত আবেগৰ বস্তু। বংশগতভাৱে—কবিৰ বংশৰ যেইকোনো এজনে কিছুদূৰলৈকে কবিতা আওৰাব পাৰিব, কিন্তু তাৰ মানে এয়া নহয় যে সেই আওৰোৱাই কবি হ'ব। ভৱিষ্যতত সেইজন কবি হ'ব পাৰিবনে নোৱাৰিব—ভৱিষ্যতেহে ক'ব।"

দেৱানৰ কথাৰ উত্তৰত জমিদাৰ ডাঙৰীয়াই ক'লে, "ঠিক আছে, এই বালক-কবি তিনিটি ভৱিষ্যতত কবি হ'ব পাৰিবনে নোৱাৰিব তাৰ পৰীক্ষা মই ল'ম।"

ছমাহমান উকলিল। জমিদাৰ ডাঙৰীয়াৰ জন্মদিনৰ উৎসৱ প্ৰতি বছৰৰ দৰে এই বছৰতো পতা হ'ল। বিৰাট আমানিত ভোজৰ বন্দৰস্ত কৰা হ'ল। তাত অন্যান্য কবি-পণ্ডিতৰ লগতে সেই বালক-কবি

তন্দ্ৰা নেওগ

তিনিওকো আমন্ত্ৰণ কৰা হ'ল।

আকাশত কাঁচি-জোনতকৈ ডাঙৰৰ আকাৰৰ অৰ্ধ-চন্দ্ৰমা ওলাল। জমিদাৰ ডাঙৰীয়াই বালক-কবি তিনিওকো ক'লে, "সৌ অৰ্ধ-চন্দ্ৰমালৈ চাই তোমালোকৰ মনত কি ভাবৰ উদয় হৈছে, কোৱা।"

প্ৰথমটি বালক-কবিয়ে ক'লে, "দেৱাদিদেৱ মহাদেৱৰ জটাত যি অৰ্ধচন্দ্ৰ শোভা পায় এয়া সেই অৰ্ধচন্দ্ৰ।"

"যেনিবা—আমাৰ জমিদাৰ ডাঙৰীয়াৰ জন্মোৎসৱত এই অৰ্ধচন্দ্ৰমাই জোনক বিকীৰণ কৰিবলৈহে ওলাইছে!" দ্বিতীয়টি বালক-কবিয়ে ক'লে।

দ্বিতীয়টি বালক-কবিৰ এই উক্তিয়ে জমিদাৰক আনন্দ দান কৰিলে, আৰু অতিথিবৰ্গয়ো হৰ্ষধ্বনি কৰি উঠিল।

জমিদাৰ ডাঙৰীয়াই তৃতীয়টি বালক-কবিৰ পিনে চাই ক'লে, "এতিয়া তুমি কোৱা, এই অৰ্ধ-চন্দ্ৰমাই তোমাৰ মনত কেনে ভাবৰ সৃষ্টি কৰিছে।"

তৃতীয় বালক-কবিয়ে গভীৰ অনুভূতিৰে অৰ্ধ-চন্দ্ৰমালৈ লক্ষ্য কৰি অতি ধীৰ কণ্ঠেৰে ক'লে, "মই হ'লোঁ বালক-কবি। এই অৰ্ধ-চন্দ্ৰমালৈ চাই মোৰ মনত এই ভাব হৈছে যে—এই চন্দ্ৰমা—যেনিবা মোৰ মুখৰ ভিতৰত গলি যাব ধৰা এটা প্ৰকাণ্ড মিঠাই!"

তৃতীয় বালক-কবিৰ এই উত্তৰ শুনি জমিদাৰ ডাঙৰীয়াই এইটি বালক-কবিক বুকুত সাঁকোৱালি ল'লে আৰু ক'লে, "অ' মোৰ মৰমৰ বালক-কবি! ভৱিষ্যতত তুমি এজন পূৰঠ কিন্তু সহজ কবি হৈ অপাৰ কীৰ্তি লাভ কৰিবা—হে সহজীয়াৰ! তোমালৈ মোৰ এই আশীৰ্বাদ থাকিল!"

সকলোটিয়েই জমিদাৰ ডাঙৰীয়ালৈ, আৰু বালককবিলৈকো অভিনন্দন জ্ঞাপন কৰিলে আৰু জমিদাৰ ডাঙৰীয়াৰ দেৱানেও এই হৰ্ষধ্বনিত ভাগ ল'লে।



# চান্দমামা-ক্ৰোড়পত্ৰ-৪৪



## ভাৰতৰ পশু-পক্ষী ঃ

# গঁড়

কথাত বোলে—গঁড়ে নাখায়, চেলেকি হাড় উলিয়ায়। কিয় যে গঁড়ক অপবাদ দি এইষাৰ কোৱা হৈছিল, কোৱা নাযায়। গঁড় কিন্তু অতি শান্ত প্ৰাণী। ভাৰত, ইন্দোনেজিয়া আৰু আফ্ৰিকা মহাদেশৰ ঠায়ে ঠায়ে গঁড় পৰিদৃষ্ট হয়। এইবোৰৰ মাজত ভাৰতীয় গঁড় অতি বিখ্যাত। আফ্ৰিকাৰ গঁড়ৰ বৰণ ধুমক'লা, আৰু বগাও আছে। জাভা দ্বীপত আৰু সুমাত্ৰাতো গঁড় আছে। ভাৰতীয় গঁড় হ'ল একশিঙীয়া আৰু আফ্ৰিকীয় গঁড় দুই-শিঙীয়া। গঁড়ৰ এই শিঙক 'খড়্গ' বোলা হয়। কিন্তু প্ৰকৃততে এই শিঙত হাড় নাই, আছে নোমহে। জাপ জাপ নোম একেলগ হৈ ইমান টান হৈ উঠে। গঁড় তাৰ দেহৰ তুলনাত ওজনত বৰ গধুৰ। সাধাৰণভাবে গঁড় ১৮০ ছে. মি. ওখ হয়।

কিছুমান মানুহৰ বিশ্বাস যে গঁড়ৰ খড়্গোৰে বিশেষ দৰব তৈয়াৰ কৰিব পাৰি, আৰু এই বিশ্বাসৰপৰা অসংখ্য গঁড় প্ৰতি বছৰ নিহত হয়। এইবিলাক মানুহৰ কবলৰপৰা গঁড়ক ৰক্ষা কৰিবলৈ চৰকাৰে বন্য পশু-সংৰক্ষণৰ আইন তথা গঁড়-সংৰক্ষণ কেন্দ্ৰ স্থাপন কৰিছে। এই সংৰক্ষণ-কেন্দ্ৰবিলাকৰ মাজত অসমৰ কাজিৰঙা আৰু পশ্চিমবংগৰ জল্দাপাড়া, গৰুমাৰা, সোনাই-ৰূপাই আদি উল্লেখযোগ্য। গঁড় হ'ল এই পৃথিৱীৰ এক প্ৰাগৈতিহাসিক প্ৰাণী।

হেমনীয়াৰ চ'ৰাত

# কঠীয়াহে ছুটি জেঠতে পৰা !

অন্ধ্ৰ প্ৰদেশৰ পশ্চিম গোদাৱৰী জিলাৰ এখন অতি সৰু চহৰৰ পাঁচ বছৰীয়া ছোৱালী এজনীয়ে তাইৰ মাক-দেউতাকক একো নোকোৱাকৈয়েই মাদ্ৰাজলৈ গ'ল। তাই তাইৰ অতি প্ৰিয় গীতিকাৰ তথা সংগীতকাৰসকলক চাব, চাই ধন্য মানিব। তাই এইদৰে অকলশৰে ঘৰ এৰি অহাৰ আগতে তাইৰ মাক-দেউতাকক টানি কৈছিল তাইক মাদ্ৰাজলৈ লৈ আহিবলৈ, কোনেও ননাত তাই নিজেই আহিল।

আহিলও যদিহে পুলিচৰ হাতত ধৰা পৰিল, পুলিচে তাইক পুনৰ তাইৰ ঘৰলৈ পঠিয়াই দিলে। এইবাৰ তাইৰ দেউতাকে, তেওঁলোকৰ এগৰাকী আত্মীয়, যিজন হ'ল ফিল্মী সংগীতকাৰ। এওঁ এই পাঁচবছৰীয়া সংগীতপ্ৰেমীজনীয় দায়িত্ব ল'লে। এওঁৰ নাম হ'ল—মৰকতমণি।

মৰকতমণিয়ে এই পাঁচবছৰীয়া শ্ৰীলেখাক শাস্ত্ৰীয় সংগীত, লোক-সংগীত আৰু লগতে পাশ্চাত্যদেশীয় সংগীততো প্ৰশিক্ষণ দি থাকিল। শ্ৰীলেখা ক্ৰমে ক্ৰমে সংগীতবিদ হৈ উঠিল।

সিদিনাৰ সেই পাঁচবছৰীয়া শ্ৰীলেখাই আজি তেলুগু ফিল্মৰ খ্যাতনামা গায়িকা চিত্ৰাৰ গানত সুৰ-সংযোজন কৰিছে! এতিয়া তাই বাৰবছৰীয়া।

তাই সংগীতবিনে আন বিশেষ একোৱেই ভাল নাপায়। স্কুললৈকো তাই নাযায়। তাইৰ স্মৃতিশক্তি অতি প্ৰখৰ। কমেও এশ ৰাগ তথা শ্লোক তাই সহজেই স্মৃতিস্থ কৰিব পৰা হৈছে। মৰকতমণিয়ে সংগীতৰ ব্যৱহাৰিক প্ৰয়োগ শিক্ষা দিবলৈ তাইক সদায় ৰেকৰ্ডিং ষ্টুডিঅ'লৈকো লৈ গৈছিল আৰু সংগীতৰ ব্যৱহাৰিক প্ৰয়োগৰ বিভিন্ন সুৰৰ বাস্তৱ শিক্ষা দিছিল।

এবাৰ মৰকতমণিয়ে তাই এজন বিখ্যাত গায়কৰ গানৰ সৈতে যন্ত্ৰ-বাদন কৰিবলৈ শ্ৰীলেখাক আহ্বান জনালে। শ্ৰীলেখাই হাৰমোনিয়াম-বাদন সুচাৰুৰূপে কৰিব পাৰিছিল। তাই সেই বিখ্যাত গায়কজনৰ সৈতে নিৰ্ভীকভাবে হাৰমোনিয়াম বজাই থাকিল।

তাৰ পাছত তাই এগৰাকী তামিল কবিৰ গীতত মাত্ৰ তিনি মিনিটৰ ভিতৰতে সুৰাৰোপ কৰি তাত উপস্থিত থকা গুণী লোকসকলক চমৎকৃত তথা বিস্মিত কৰিছিল।

এতিয়াৰ ডাঙৰ ডাঙৰ নামজলা সংগীতবিদ এই অনন্যা বালিকাৰ প্ৰতিভাত মুগ্ধ। ইমান কম বয়সৰ সংগীত-পৰিচালিকা হিচাপে তাইৰ নাম গিনেজ বুক অভ ৰেকৰ্ডছত ঠাই পোৱাৰ সম্ভাৱনা দেখা গৈছে। তাই তাইৰ নাম তাইৰ শিক্ষাগুৰুৰ সৈতে সাঙুৰি 'মণিমেখলা'লৈ পৰিৱৰ্তিত কৰিলে। তাইৰ সংগীত পৰিচালিত ফিল্ম অতি শীঘ্ৰেই মুক্তি পাব।

# আমি জানোনে ?

১. কেৰলৰাজ্যৰ কৃষি তথা নৱবৰ্ষ উৎসৱৰ নাম 'বিষু'। উত্তৰ-পূৰ্ব ভাৰতৰ কোনোবা এখন ৰাজ্যতো সেই একেদিনাই কৃষি আৰু নৱবৰ্ষৰ উৎসৱ উদ্‌যাপন কৰা হয়। সেই উৎসৱৰ নাম কি ? কোনখন ৰাজ্যত সেই উৎসৱ পালিত হয় ?

২. মে'-দিৱসক (মে'-ডে') এগৰাকী খৃষ্টীয় মহাপুৰুষৰ আবিৰ্ভাৱ-দিৱস হিচাপে গণ্য কৰা হয়। সেই মহাপুৰুষজন কোন ?

৩. বোকেফালা নগৰে দুটি বিশ্বখ্যাত নাম সোঁৱৰাই দিয়ে। কি কি ?

৪. ভাৰতৰ এবিধ খেলাত তেলসনা নাৰিকলৰ আৱশ্যক হয়। সেই খেলাৰ নাম কি ? এই খেলা ক'ত খেলা হয় ?

৫. চন্দ্ৰগুপ্ত মৌৰ্য্যৰ শাসন কিমান দিন ধৰি চলিছিল ? তেওঁতকৈও এবছৰ অধিক কাললৈ শাসন চলোৱা তেওঁৰ পুত্ৰৰ নাম কি ?

৬. কচ্ছ ভাষা কোনবিধৰ লিপিৰে লিখা হয় ?

৭. কেন্দ্ৰীয় মন্ত্ৰিসভাত প্ৰথমবাৰকালে এগৰাকী ৰাজবংশীয় মহিলাই স্থান লাভ কৰিছিল। তেওঁ কোন ?

৮. কোনে চণ্ডীগড়ত 'ৰক্ গাৰ্ডেন' নিৰ্মাণ কৰিছিল ?

৯. উগ্ৰপন্থা লোৱাৰ কাৰণে আওৰংজেৱে তেওঁৰ জীয়েক এজনীক ২০ বছৰলৈ বান্দী কৰি থৈছিল। সেই কন্যাৰ নাম ?

১০. জয়দেৱ ৰচিত গীত-গোবিন্দৰ গীতসমূহক পবিত্ৰ 'গ্ৰন্থ-ছাহিব'ত সন্নিবিষ্টকাৰী শিখগুৰু কোন ?

১১. ঘৰৰ চোতালত 'তুলসী' গছ কিয় ৰোৱা হয় ?

১২. কলিকতাৰপৰা পাৰ্লামেন্টলৈ নিৰ্বাচিত হোৱা অন্য বিখ্যাত অৰাজনৈতিক ব্যক্তি কোন আছিল ?

১৩. স্যাইত কাৰ্ল লুইছৰ ১০০ মিটাৰৰ ৰেকৰ্ড কোনে ভংগ কৰিছিল ?

১৪. মাত-বোল কৰিব নোৱাৰা বগলীয়ে কেনেকৈ তাৰ সংগনীক আকৰ্ষিত কৰে ?

১৫. ১৮০৪ চনত নাপলেয়ঁ ফ্ৰান্সৰ সম্ৰাট হৈছিল। সেই চনতে পৰিবহনৰ ক্ষেত্ৰত এক অভাৱিত ঘটনা ঘটিছিল। সেই ঘটনা কি ?

## উত্তৰ

১. বিহু, অসম।

২. ছেইন্ট জোচেফ, খৃষ্টযিশুৰ পিতৃ।

৩. আলেগজান্দৰ দ্য গ্ৰেট আৰু তেওঁৰ অশ্ব বুচেফেলাছ।

৪. যুবি-লক্‌পি—মণিপুৰ।

৫. ২৪ বছৰলৈ, বিন্দুসাৰ, সম্ৰাট অশোকৰ পিতা।

৬. ছিৰিল্লিক লিপি।

৭. নেহৰু মন্ত্ৰিসভাত ৰাজকুমাৰী অমৃত কৌৰ, স্বাস্থ্যমন্ত্ৰী আছিল।

৮. নেকচন্দ।

৯. জেবউন্নিছা।

১০. গুৰু অৰ্জুনসিংহ।

১১. সুৰক্ষা আৰু সমৃদ্ধিৰ সূচক বুলি গণ্য কৰা হয়।

১২. মেঘনাদ সাহা।

১৩. লেৰয় বুৰেল।

১৪. আনন্দজনক নৃত্যৰ যোগেদি।

১৫. ষ্টীম-চালিত প্ৰথম ৰেল-এন্‌জিন, আৰ. ট্ৰেৱিথিক নামৰ ব্যক্তি এজনে অবাধ গতিৰে চলাইছিল।

# সম্বাদ-বি-সম্বাদ

## কণমানি কমপিউটাৰ!

‘হাতৰ তলুৱাতে ভৰাই ল’ব পৰা কম্পিউটাৰৰ নাম হ’ল—‘পিকো কম্পিউটাৰ’। ‘পিকো’ শব্দৰ অৰ্থ হ’ল ‘ট্ৰিলিয়নৰ এভাগ’, যাৰ কথা আনকি ভবাও টান। ডেস্কটপ কম্পিউটাৰক ‘মাইক্ৰো কম্পিউটাৰ’ বুলি কোৱা হয়, যি কম্পিউটাৰক এতিয়ালৈকে আটাইতকৈ সৰু কম্পিউটাৰ বুলি গণ্য কৰা হয়। ‘পিকো কম্পিউটাৰ’ তাতোকৈ সৰু। এই কম্পিউটাৰক ঘড়ীত বা পেনত ভৰাই ব্যৱহাৰযোগ্য কৰিব তোলাৰ দিনও সমাগত!

## প্ৰিয়তম-ক্ষিপ্ৰতম



জাপানৰ উত্তৰ-পশ্চিম সীমালৈ যোৱা শ্বিন্‌কান্‌সেন ইক্স্‌প্ৰেছৰ গতি ঘণ্টাইপ্ৰতি ৩৪৫ কিল’মিটাৰ। এই গতি এক ৰেকৰ্ড-গতি। জোমো কোগেন আৰু উৰাৱা ষ্টেশ্বনৰ মাজত চলোৱা হৈছিল। যোৱা মাৰ্চ মাহত এই ৰেলগাড়ীখনেই ঘণ্টাত ৩৩৬ কিল’মিটাৰ ৰেগেৰে গৈছিল। তথাপি—ৰেলগাড়ীৰ গতিৰ বিশ্ব-ৰেকৰ্ড হ’ল ফ্ৰান্সৰ টি জি ভি ছুপাৰ ইক্স্‌প্ৰেছৰ। এইখন ১৯৯০ চনত নিৰ্মিত আৰু গতি ঘণ্টাই ৫১৫·৩ কি.মি.!

## প্ৰাচীনতম!



প্ৰায় ১৫০ বছৰৰ আগতে স্কটল্যাণ্ডত (১৯৫০-ৰ ৫চৰা-উচৰি) কিছুমান শিল খান্দি উলিওৱা হৈছিল। যিবোৰ ৩৭০ মিলিয়ন বছৰৰ আগতে পৃথিৱীত বিচৰণকাৰী কুম্ভীৰজাতীয় মেৰুদণ্ডী প্ৰাণীৰ দেহাস্থি বুলি অক্সফ’ৰ্ডৰ বিজ্ঞানীবৰ্গই অনুমান কৰিছে। গ্ৰিনল্যাণ্ডত প্ৰাপ্ত ৩৬০ মিলিয়ম বছৰৰ প্ৰাচীন শিলা এতিয়ালৈকে প্ৰাপ্ত শিলাবোৰৰ মাজত প্ৰাচীন বুলি গণ্য কৰা হৈছিল। এতিয়া স্কটল্যাণ্ডৰ শিলাকহে সেই প্ৰাচীনত্বৰ মৰ্য্যদা দিয়া হৈছে!

# গছ তিতা ফল মিঠা

সেরাপুৰ গাঁৱত সদানন্দ নামৰ এগৰাকী ধনৱান লোক আছিল। তেওঁৰ মাটি-বাৰীৰ তথা অন্যান্য ধন-সম্পদৰ হিচাপ লিখিবৰ কাৰণে লেখাৰু লাগে তেওঁক। চুবুৰীয়া গাঁৱৰ সদানন্দৰ বন্ধু বিদ্যানিধিয়ে খবৰটো পাই লগে লগে এখন চুপাৰিছ-পত্ৰ লিখি নিজৰ ভাগিন নাৰায়ণক সদানন্দৰ ওচৰলৈ পঠালে।

সদানন্দই তেওঁৰ ভৃত্যক ক'লে, "চোৱা, তুমি সেই ল'ৰাটোক কোৱাগৈ যে—মই ঘৰত নাই, আৰু মই ঘৰলৈ ঘূৰিবলৈ কমেও তিনি-চাৰি ঘণ্টামান লাগিব।"

সদানন্দৰ আদেশমতে ভৃত্যই নাৰায়ণক কলেগৈ। কিন্তু নাৰায়ণে বাৰে বাৰে সুধি থাকিল : মালিক আহিলনে ? আৰু ভৃত্যয়ো উত্তৰ দি থাকিল : নাই অহা। ভাবিলে যে—সদানন্দ সেইদিনা ঘূৰিবও পাৰে। নাৰায়ণ ইমান অধৈৰ্য্য হৈ উঠিল যে সি কাঁইটনীত বহি থকা যেনহে পালে। সি সদানন্দৰ ভৃত্যক ক'লে, "ঠিক আছে, মই আহিছিলোঁ, আৰু বহু সময় ধৰি ৰৈ থকাৰ পাছত এয়া এতিয়া গুচি গ'লোঁ বুলি—মালিকক কৈ দিবা।"

নাৰায়ণ পোনে পোনেই নৈৰ পাৰলৈ গ'ল। সদানন্দৰ সৈতে সিদিনা যে আৰু দেখাদেখি নহ'ব—সেই কথাত নাৰায়ণ নিসন্দেহ হৈ ওভোতা বাট ল'লে।

ঘাটত নাও আছে, কিন্তু নাৱৰীয়াহে নাই। তাত সিপাৰলৈ যাবলৈ আন কেইজনমানও ৰৈ আছিল। নাৰায়ণে তাৰে এজনক সোধাত সেইজনে ক'লে, "নাও—কেতিয়া যে সিপাৰলৈ যাব কোৱা টান। কি বোলেনে—নাও আছে, ঘাটৈ নাই—চকু বিষাওঁ তাৰৈ চাই।"

মনোজ বৰ্মন



আৰু এঘণ্টামান চাওঁতে চাওঁতে পাৰ হৈ গ'ল, কিন্তু ঘাটুৱৈ নহা হ'ল। তেতিয়া নাৰায়ণে অধৈৰ্য্য হৈ ক'লে, "ঘাট আছে ঘাটৈ নাই বুলি বৈ থাকিমনে তাৰ বাট চাই? তাক বিচাৰি ধৰি আনিব লাগিব। মোৰ সৈতে আপোনালোকৰ মাজত কোনোবা এজন ঘাটৈক বিচাৰি মোৰ লগত ব'লক।"

তেতিয়া এজনে কৈ উঠিল, "হে—ৰি, আপোনাৰ দৰে আমিও জল্‌দি জল্‌দি সিপাৰলৈ যাব খুজিছোঁ। পিছে আমিও যেনেকৈ আমাৰ পেট প্ৰবৰ্ত্তাবলৈ খৰখেদা লগাইছোঁ যাবলৈ, এই ঘাটত নথকা ঘাটৈৰও তেনেকৈ পেট আছেই নহয়? গতিকে সি নিশ্চয় আহিবই।"

কিন্তু অলপ পাছত নাৰায়ণৰ ধৈৰ্য্য একেবাৰেই হেৰাল, আৰু সি অকলেই ঘাটৈক বিচাৰি ওলাল।

ঘাটৈৰ ঘৰটো নাৰায়ণে আৰু-তাক সোধ-পোছ কৰি বিচাৰি উলিয়াব পৰা হ'ল। ঘাটৈৰ ঘৈণীয়েকে নাৰায়ণক ক'লে, "তেওঁৰ বৰকৈ পেটৰ বিষ উঠিছিল, আৰু সেইহে বেজৰ ওচৰলৈ যোৱাত ঘাটলৈ যাবলৈ দেৰি হৈ গ'ল। এতিয়াই—এয়া অলপমান সময়ৰ আগতে তেওঁ ঘাটলৈ গ'ল। আপ্‌নি ঘাটলৈ গ'লেই লগ পাব। যাই থাকক আপ্‌নি।"

নাৰায়ণে দৌৰি দৌৰি নৈৰ ঘাট পালেগৈ। কিন্তু তিমানতে যাত্ৰীইঁতক উঠাই লৈ নাও এৰি দিলেই। নাওখনে তিমানতে মাজ নৈ পালেগৈ। নাৰায়ণ সেইপিনে ভেবা লাগি চাই ৰ'ল।

তেনেতে নাৰায়ণক কোনোবা এজনে ক'লে, "তুমি বোধ কৰোঁ—সময়মতে আহিব নোৱাৰিলা, নাওখনো ধৰিব নোৱাৰিলা। যি কি নহওক—এঘণ্টামান ৰৈ থাকা যদি নাওখন আকৌ পাবা তেতিয়া নাৱত উঠি যাবা।"

কথাই কথাই নাৰায়ণে বুজি পালে

যে—এৰেঁই হ'ল সেই—। সেইজন—যিজনৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিছিল সি—এৰেঁই সেই সদানন্দ।

নাৰায়ণে তাৰ মোমায়েকে দি পঠোৱা চুপাৰিছৰ চিঠিখন চোলাৰ জেপৰপৰা উলিয়াই আনি সদানন্দক দিবলৈ ধৰাত সদানন্দই কৈ উঠিল, "ওহোঁ, এইদৰে নহয়, নহ'ব। ঘৰৰ কাম বাটত কৰিব নোৱাৰি। তুমি আন এদিন মোৰ তালৈ যাবা, তেতিয়া চিঠিখনও লৈ যাবা, ল'ম আৰু পঢ়ি চাম।"

শুনি নাৰায়ণে নাক-ঘাৰ যোৱা যেন পালে। আৰু সি কোনো মাত মাতিব নোৱাৰিলে। যি কি নহওক—অলপ পাছত সিপাৰৰপৰা নাওখন ইপাৰলৈ আহিল, আৰু নাৰায়ণৰ সৈতে সদানন্দও নাৱত উঠি বহি সিপাৰলৈ গ'ল।

কেৱল নাৱতে নহয়, নাৱৰপৰা নামি বাটতো সদানন্দ নৰায়ণৰ লগে লগে গৈ থাকিল আৰু নাৰায়ণও য'লৈকে গ'ল, সদানন্দত তালৈকে—অৰ্থাৎ বন্ধু বিদ্যানিধিৰ ঘৰলৈকে গ'ল।

সদানন্দই বিদ্যানিধিক ক'লে, "বন্ধু, তুমি যিজন ল'ৰাক পঠালা, তাতকৈ ভাল মই কাকো যে বিচাৰি নাপাওঁ—জানো কথাটো। আমাৰ ককাদেউতাই কৈছিল : ধৈৰ্য্য ধৰিব নজনাই জীৱনতো উন্নতিৰ খটখটিখন দেখা নাপায়। আৰু—আমাৰ এই কামত ধৈৰ্য্যৰ বৰ প্ৰয়োজন বুলিহে মই নাৰায়ণৰ পৰীক্ষা লৈছিলোঁ।"

সদানন্দৰ কথাত নাৰায়ণে লাজ পালে, আৰু ক'লে, "মই কথা দিছোঁ, আপোনাৰ ছত্ৰছায়াত থাকি মই নিজক শুধৰাইল'ম।"

তেতিয়া সদানন্দই নাৰায়ণক বুকুত সাৱটি লৈ ক'লে, "পাৰিবা, তুমি পাৰিবা। সাৰ কথাটো বুজিছাই যেতিয়া পাৰিবা। জীৱনত জানি থ'বা—ধৈৰ্য্য-গছ তিতা, তাৰ ফল বৰ মিঠা!"

# লোকচানৰ হিচাপ

গাঁও এখনত সুবল নামৰ এজন বেপাৰী আৰু সুচন্দ নামৰ হালোৱা এজন আছিল নলগল বন্ধু। সুচন্দৰ আছিল এটি ল'ৰা, নাম তাৰ সুশীল। লিখন-পঢ়নত সুশীল বৰ চোকা। বেপাৰী সুবলে হালোৱা সুচন্দক তাৰ ল'ৰাটোৰ পঢ়া-লিখাৰ বাবে টকা-পইচাৰে সহায় কৰে।

সুশীলৰ পঢ়া-লিখা যেতিয়া শেষ হ'ল, তেতিয়া সুচন্দই তাৰ ল'ৰাৰ চাকৰি এটাৰ বাবে সুবলক ক'লে। সুবলকো এজন মানুহ লাগিছিল তাৰ বেহা-বেপাৰৰ হিচাপ-বহী লিখাৰ বাবে। সুবলে সুশীলক সুধিলে, "তোমাৰ পৰীক্ষাত তুমি অংকত কিমান পাইছিলা?"

"এশত নিৰনব্বৈ।" সুশীলে ক'লে।

"তাৰ মানে—তুমি ভুল কৰিলা—এক। এশত এক, হেজাৰত দহ, দহ হেজাৰত এক··· এইদৰে লোকচান বাঢ়ি গৈয়েই থাকিব। মোৰ কাৰবাৰ হ'ল লাখ লাখৰ কাৰবাৰ—লাখ লাখত হেজাৰ হেজাৰ লোচকান ভৰিব মই নোৱাৰিম। তুমি যদি অংকত সঁচাকৈয়েই চোকা —ৰজাৰ ধন-ভঁৰালত কাম কৰিবলৈ পৰীক্ষা দিয়াগৈ যোৱা। ৰজাৰ ধন ভঁৰালত মানুহ ল'ব, তুমি কৃতকাৰ্য্য হ'ল তোমাকো ল'ব।" সুবলে সুশীলক ক'লে।

সুশীলে সুবলে কোৱা মতেই কাম কৰিলে, ৰাজ্যৰ কৰ আদায়কাৰী কৰ্মচাৰী লোৱাৰ বাবে পৰীক্ষা দিলগৈ, আৰু পৰীক্ষাত কৃতকাৰ্য্য হৈ সুশীলে ৰজাৰ অধীনত কামও পালে।

তেতিয়া সুচন্দই সুবলক ক'লে, "শুনিছানে নাই, সুশীলে ৰজাৰ কৰ-আদায়কাৰী কৰ্মচাৰী হিচাপে কামটো পালে। তাৰ কাৰণে কিবা লোচকান হ'ব বুলি কিন্তু ৰজাই ভবা নাই। তুমি বুদ্ধিমানীৰে লোচকান হোৱাৰপৰা ৰক্ষা পৰিলা, কিন্তু ৰজাই নোৱাৰিলে।"

সুচন্দই যে বিদ্ৰূপ কৰি এইবোৰ কৈ আছে—সুবলে সুবুজাকৈ নাথাকিল। সুবলে সুচন্দক ক'লে, "বন্ধু! মোৰ চাকৰি ভঙবনে ৰজাৰ চাকৰি ভাঙৰ কোৱাচোন? সুশীলে অংকত ইমান চোকা জানি মই তাক ৰজাৰ কামলৈ উদগনি দিছিলোঁ—আৰু সেই কাৰণেহে যে মিছাকৈ তেনেকৈ কৈছিলোঁ—বুজি পাব লাগিছিল। সুশীলে ৰজাৰ চাকৰি পোৱাত মায়া তোমাৰ দৰেই ভাল পাইছোঁ। সুশীলে মোৰ চাকৰি কৰা ভাল আছিলনে ৰজাৰ চাকৰি কৰা ভাল হ'ল কোৱাচোন? বন্ধু হিচাপে—সুশীলৰ লোচকান তোমাৰও—মোৰও।"

# অক্ষম অলৌকিকত্ব

শীতলৰ মাক নাই বাপেক নাই—কেও ক'তো নাই। আনকি মাটি-বাৰী পেলাও শীতলৰ একোৰেই নাই! আছে কেৱল লো-হেন ডাঠ দেহা আৰু শ্ৰম কৰাৰ ক্ষমতা। অ ৰু গুণ আছে শীতলৰ। শীতল বৰ নম্ৰ, শিষ্টাচাৰী। আৰু ঠিক সেই কাৰণেই, তাক গাঁৱৰ সকলোটিৰেই হাড়-ভঙাকৈ খটুৱায়, কিন্তু দিয়ন-থওনৰ বেলিকাহে হাত কোঁচায়। সেইহে, হাড়ভঙা খাটনে খাটিত শীতলে কথমপিহে পেট প্ৰৱৰ্তায়।

দেখাই-মেলাই শীতল ভালেই। হয়তো সেই কাৰণেই, গাঁৱৰ ছোৱালী মণিমালাই শীতললৈ বৰ মৰমৰ চকুৰে চাইছিল, আৰু চাওঁতে চাওঁতে সেই মৰমেই মৰ-সাহ হৈ হিয়া দিয়া নিয়াৰ অন্তত বিয়াৰ কথালৈ বাগৰিছিল। মণিমালাই লাখ-মান কাতি কৰি কৈয়েই পেলাইছিল তাইক বিয়া কৰাবলৈ।

কথাটো যেতিয়া ফাদিল হ'ল কিছুমানে শীতলক উপযাচি উপদেশ দিলে। মথিয়নহঁতৰ বক্তব্য প্ৰায় একেই: 'মৰিবি মৰিবি—জুইত পুৰি মৰিবি। আমাৰ কথা খাড়া-পূৰা, মৰিবলৈ গল-বাঁহ আঁৰি নল'বি, মৰিও মাটি নাপাবি তাইক যদি কৰাব বিয়া!'

এদিন মণিমালাৰ দেউতাক ভূষণে শীতলক ক'লেহি, "শুনা, তাই—মণিমালাই তোমাক এৰি কাকো বিয়া নকৰাব বুলি গো-পিঠীয়া কৰিছে। তুমি ইয়াত গোঁজটি হৈ থাকা যদি—ৰজাৰ কোঁৱৰ বিচাৰি আনিও লাভ নহ'ব।

অনন্ত কেওট

গতিকে—তুমি দয়া কৰি কিছুদিনৰ বাবে এই গাঁও এৰি গুচি যোৱা, তাইক দিওঁ মনৰ মতন বিয়া।"

শীতলে ভূষণৰ কথা মানি লৈ গাঁও এৰি গুচি যাবলৈ খোজ ল'লে।

শীতল গৈ থাকিল—গৈয়েই থাকিল। গৈ গৈ—বিৰাট এড়ৰা হাবিৰ কাষত সাধু এগৰাকীক লগ পালে। শীতলে একমনে সাধুবাবাৰ সেৱা কৰি থাকিল।

এদিন সাধুৱে শীতলক ক'লে, "তুমি সঁচাসঁচিকৈয়েই অতি শিষ্টাচাৰী। মই তোমাৰ আচাৰ-আচৰণত মই অতি তুষ্ট হৈছোঁ। গতিকে তোমাক মই কিছুখিনি অলৌকিক ক্ষমতা প্ৰদান কৰিম। কিন্তু এই অলৌকিক ক্ষমতা তুমি নিজৰ কাৰণে নহয়, অনৰ উপকাৰৰ কাৰণেহে প্ৰয়োগ কৰিবা, তেতিয়াহে এই অলৌকিক শক্তিয়ে গুণ দিব, কাম কৰিব।" এই বুলি কৈ, সাধুবাবাই শীতলৰ মূৰত হাত থৈ কিবাকিবি মন্ত্ৰ আওৰালে আৰু তাৰপাছত সাধুবাবাই তাৰপৰা খোজ বঢ়ালে।

খোজ বঢ়ালে শীতলেও, পিছে সাধুৰ বিপৰীত দিশলৈ। বাটত এইখন গাঁৱত এটা ঘৰৰ আগত শীতল ৰ'ল আৰু সেই ঘৰৰ গৃহস্থৰ ওচৰত কাম খুজিলে।

গৃহস্থই ভ্ৰু কোঁচাই দমদমাই উঠি ক'লে, "কি কাম লাগে তোমাক? বোলোঁ—তুমি কি কাম জানা? মোৰ ঘৰৰ পিছফালে পুখুৰী এটা আছে। পুখুৰীৰ আটাইখিনি পানী পি-খাব পাৰিবা?"

শীতলে যেতিয়া 'পাৰিম' বুলি কৈয়েই ঘৰৰ পিছফাললৈ গৈ থাকিল, তেতিয়া গৃহস্থৰ চকুৱে ঢেলুকা দিলে! কিন্তু শীতলে যেতিয়া সঁচাসঁচিকৈ পুখুৰীটোৰ আটাই-খিনি পানী পি-খালে, তেতিয়া গৃহস্থৰ গা চিকেহি মাৰি উঠিল।

পুকুৰীটোত এযোৰ ৰত্ন-কংকণ পোৱা গ'ল। গৃহস্থই কৈ উঠিল, "আমাৰ আগৰ চাকৰটোৱে কৈছিল যে এই ৰত্ন-কংকণযোৰ

পুখুৰীত পৰিল। কিন্তু তাৰ কথা বিশ্বাস নকৰি, তাকেই চোৰ বুলি ভাবি মই তাক খেদিলোঁ। গতিকে—মই তাকেই বিচাৰি উলিয়াম আৰু পুনৰ কামত মকৰল কৰিম।”

তাৰ পাছত সি তাৰপৰা অন্য এঠাইলৈ গ'ল আৰু তাত বিৰাট ধনী ৰামপ্ৰসাদ চৌধাৰীৰ ওচৰত চাকৰি খুজিলে।

চৌধাৰী আছিল চিকটাৰো চিকটা—যাক বোলে লিকটা। চৌধাৰীয়ে শীতলক চাকৰি দিয়াৰ নামত তেওঁৰ ঘৰ-বাৰী আশ-কাষ সকলো নিয়াৰিকৈ চাফা কৰোৱালে। শীতলে কিন্তু ইমান টান কামখিনি অতি সহজভাবেই কৰি দিলে। তাৰ পাছত চৌধাৰীয়ে খৰি কটালে, কাপোৰ-কানি চাফা কৰালে আৰু তাৰ পাছত তাক কেৱল পেটে-ভাতে — বিনা দৰমহাৰে চাকৰিত মকৰল কৰিলে।

শীতলে কিছুদিনৰ পাছত দৰমহা আৰু পেট পূৰাই খোৱা-বোৱা বিচাৰিলে। কিন্তু চৌধাৰীয়ে সদায় মুচুককৰে হাঁহি আৰু কয়, “শুনা, তুমি হ'লা এটা অভিশপ্ত মানুহ, তোমাক যিদৰে ৰাখিছোঁ, সেইদৰে থাকা। আগলৈ—আগলৈ যদি নহয়ও, আগৰ জনমত তোমাৰ ভাল হ'ব।”

কিন্তু—আগৰ জনম বাঘে খাওক—এই জনমৰ কথা ভাবিয়েই শীতলে চৌধাৰীৰ চৌহদ এৰি পুনৰ নিজ গাঁৱলৈ বুলি গুমাই খোজ ল'লে।

গাঁও পাই শীতলে বাটতে ভূষণক লগ পালে, আৰু লগ পায়েই তেতিয়াৰপৰা এতিয়ালৈকে হোৱা কথাখিনি বিস্তাৰিত ভুবহু কৈ দিলে।

শুনি ভূষণে ভাল পাই ক'লে, "তুমি এতিয়া যদি বাস্তৱিকতে অলৌকিক শক্তিৰ অধিকাৰী, তেনেহ'লে, আৰ-তাৰ কাম কৰি কি হ'ব? কিয় কৰি থাকিবা? তুমি মোৰ ছোৱালীজনীকে বিয়া কৰোৱা, আৰু তাইকে তোমাৰ গৰাকিনী বুলি ভাবি তাইৰ মনৰ ইচ্ছা পূৰ কৰি থাকা। তাৰে তোমাৰও হৈ যাব, আমাৰো হৈ যাব।"

"হৈ যাব—মানে?"

"নুবুজিলা কথাটো? তোমাৰো হৈ যাব মানে—তুমি পাবা ঘৈণী, আৰু আমাৰো হৈ যাব মানে—আমি হ'ম ধনী।" ভূষণে ভাঙি-পাতি ক'লে।

মণিমালা আৰু শীতলৰ বিয়াখন হৈ গ'ল। তেতিয়া শীতলে পৰিবাৰক ক'লে, "তুমি হ'লা মোৰ গৰাকিনী, তোমাক কি লাগে মোক আদেশ কৰা, টানতকৈও টান কাম কৰি পেলাম মই হেৰা।"

শুনি লাজ পাই মণিমালাই ক'লে, "এইবোৰ কি কৈছেনো? মই কেলেইনো আপোনাৰ গৰাকিনী হ'ম? মই হ'লো আপোনাৰ পত্নী। আপুনি যি দিব তাৰেই মই ভাল পাই থাকিম। আপুনি এইবোৰ অক্ষম অলৌকিকত্ব এৰি, সক্ষম লৌকিকত্বৰে নিজৰ কাম নিজে কৰি থাকিব লাগে, তেহে মই আনন্দ পাম, সুখ পাম। মই আপোনাক সৰ্বাৱস্থাত সহায় কৰি থাকিম।"

পৰিবাৰৰ কথাত শীতলে ইমানেই ভাল পালে যে—সেই দিনাৰেপৰাই অলৌকিক শক্তিৰ মহিমাক তাৰ জীৱনৰ-পৰা সম্পূৰ্ণ পৰিহাৰ কৰি আত্মগৌৰৱৰে শ্ৰম কৰি সুখী জীৱন যাপন কৰি থাকিল।

# বীৰ হনুমান

২৫

ইয়াৰে মাজতে বানৰ বীৰসকলে প্ৰহস্তৰ বিৰুদ্ধে যুঁজ দিলে। প্ৰহস্তই অনেক বানৰ বীৰক নিহত কৰিলে আৰু লগতে প্ৰহস্তৰ চাৰিও সহযোগীয়েও বানৰ বিলাকক কচুকটা দি থাকিল।

তেতিয়া বানৰবীৰ দ্বিবিদই বিৰাট বিৰাট শিল দলিয়াই নৰান্তক নামক ৰাক্ষস বীৰ এটাক বধিলে। লগতে—দুৰ্মুখ নামৰ বানৰ বীৰে সমুন্নত নামৰ বীৰ ৰাক্ষসক, জাম্বৱন্তই মহানাদক আৰু তাৰ্-এ কুম্ভহনু নামৰ ৰাক্ষসক বধ কৰিলে। এইদৰে—প্ৰহস্তৰ চকুৰ আগতে প্ৰহস্তৰ চাৰিও সহযোগী নিহত হ'ল।

তাৰ পাছত হঠাৎ নীল নামৰ বানৰ সেনানায়কে প্ৰহস্তক আক্ৰমণ কৰিলে। প্ৰহস্তই বাণেৰে আৰু নীলে বৃক্ষ-প্ৰস্তৰেৰে যুদ্ধ কৰি থাকিল। প্ৰহস্তই চোকা চোকা বাণেৰে নীলৰ দেহ থকা-সৰকা কৰি থাকিল, যদিও নীলে এইবোৰলৈ ভ্ৰূক্ষেপো নকৰা হ'ল। নীলে প্ৰহস্তৰ ৰথৰ অশ্ব-বোৰক বগৰাই দিলে আৰু প্ৰহস্তৰ ধনু হাতেৰে থাপ মাৰি ধৰি ভাঙি পেলালে। তাৰ পাছত দুয়োৰো মাজত মল্লযুদ্ধ লাগি পৰিল, আৰু এই যুদ্ধত নীলে শিলেৰে প্ৰহস্তৰ মূৰটো ফালি পেলালে।

যিবিলাক জীয়া ৰাক্ষসে প্ৰহস্তৰ এই মৰ্মন্তুদ মৃত্যুক প্ৰত্যক্ষ কৰিলে, সিহঁতে যুদ্ধস্থলৰপৰা পোনে পোনেই ৰাৱণৰজাৰ

ওচৰলৈ লৰৰি আহি এনে কৰুণ অথচ ভয়াবহ মৃত্যুৰ কথা বিবৰিলে।

এনে বীভৎস সম্বাদ শ্ৰৱণান্তে ৰাৱণে অগ্নিমূৰ্ত্তি ধাৰণ কৰি তেওঁৰ যুদ্ধৰথ তৎক্ষণাৎ প্ৰস্তুত কৰিবলৈ আদেশ দিলে।

এইবাৰ স্বয়ং মহাৰাজ ৰাৱণ ৰণস্থললৈ ওলাল। ৰাৱণে হাতত বিৰাট বিৰাট শিল লৈ বানৰসেনাক লংকা নগৰীৰ চাৰিওফালে ৰৈ থকা প্ৰত্যক্ষ কৰিলে।

সানুচৰ ৰাৱণ যেতিয়া সসৈন্যে ৰথোপৰি আহি থাকিল, তেতিয়া ৰাৱণৰ দেহৰপৰা জ্যোতিঃ বিকিৰীত হোৱা দেখি শ্ৰীৰামচন্দ্ৰই বিভীষণক সুধিলে, "বিভীষণ, সৌ বিস্তৰ সেনাৰে সৈতে অসংখ্য পতাকা-সজ্জিত ৰথত উঠি আহি থকাজন কোন--?"

বিভীষণে এজন এজনকৈ ৰাক্ষসৰ পৰিচয় দাঙি ধৰিলে ৰামচন্দ্ৰৰ আগত :

"সেই যে তেজোদ্দীপ্ত মহাবলীযেন লগা—সেইজনেই হ'ল ৰাৱণ। ৰাৱণৰ সোঁ কাষত আছে ইন্দ্ৰজিত। আৰু ৰাৱণৰজাক চায়ন দি ধৰি আছে যথাক্ৰমে—অতিকায়, মহোদৰ, পিশাচ, ত্ৰিশূৰ, কুম্ভ আৰু নিকুম্ভ আদি প্ৰখ্যাত ৰাক্ষস বীৰ।"

ৰাৱণৰ অত্যুজ্জ্বল তেজোদীপ্ত অবয়ব দেখি ৰামচন্দ্ৰ গম্ভীৰ হৈ উঠিল। ইমান তেজোদীপ্ত অবয়ব দেৱ-দানৱৰ মাজত আন কাৰো কেতিয়াবা দেখা বুলি মনত নপৰিল তেওঁৰ, মানৱৰ মাজত তো প্ৰশ্নয়েই নুঠে।

যি কি নহওক—এই কথা ভাবি ৰামচন্দ্ৰই ভাল পালে যে—এইবাৰ তেওঁ স্বয়ং ৰাৱণক সন্মুখ-সমৰলৈ আহ্বান কৰিব পাৰিব। এইবাৰ মহাদুষ্ট ৰাৱণক তেওঁ সমুচিত শিক্ষা দিব পাৰিব।

ৰাৱণৰজাৰ ৰথ সৰ্বপ্ৰথমে সুগ্ৰীৱেই ৰখালে আৰু ৰাৱণেও একেডাল বাণেৰে সুগ্ৰীৱক ধৰাশায়ী তথা অচেতন কৰি সুগ্ৰীৱৰ দুঃসাহসৰ সমুচিত জৱাব দিলে। মহাৰাজ ৰাৱণৰ এই ক্ষিপ্ৰ অথচ

কাৰ্য্যকাৰী ৰণকৌশল দেখি ৰাক্ষসসৈন্য-সকল হৰ্ষধ্বনি কৰি উঠিল।

তেতিয়া — গৱাক্ষ, গৱয়, ঋষভ, জ্যোতিৰ্মুখ আৰু নভ আদি বানৰ বীৰে নিজ নিজ দেহ ডাঙৰ কৰি তুলিলে আৰু বিৰাট বিৰাট প্ৰস্তৰ-বৃক্ষাদি হাতত লৈ ৰাৱণক ভেটিবলৈ দৃঢ়তাৰে সৈতে খোজ বঢ়ালে। ৰাৱণৰজাই এই বানৰবীৰসকলক বাণেৰে জৰ্জ্জৰিত কৰি তোলাতএই ·বানৰ-বীৰসকলে ভীত-সন্ত্ৰস্ত হৈ শ্ৰীৰামচন্দ্ৰৰ শৰণ ল'লেগৈ।

এইদৰে, মহাৰাজ ৰাৱণে যেতিয়া উগ্ৰতাৰে বানৰ-সেনাক কচুকটা দিবলৈ ধৰিলে, তেতিয়া বানৰসেনাৰ ৰক্ষাৰ্থে তথা সিহঁতৰ মনোবল অটুট ৰাখিবলৈ স্বয়ং শ্ৰীৰামচন্দ্ৰ ৰাৱণৰ .বিৰুদ্ধে ৰণ দিবলৈ আগুৱাই আহিল।

তেতিয়া অনুজ লক্ষ্মণে তেওঁৰ জ্যেষ্ঠভ্ৰাতা ৰামচন্দ্ৰক ৰাৱণৰ বিৰুদ্ধে ৰণ দিবলৈ তেওঁক (অৰ্থাৎ লক্ষ্মণক) অনুমতি দিবলৈ অনুৰোধ কৰিলে।

লক্ষ্মণক ৰাৱণ মহাৰাজৰ ৰণ-চাতুৰ্য্যৰপৰা যথেষ্ট সাৱধান হৈ থকাৰ প্ৰতিশ্ৰুতিৰে শ্ৰীৰামচন্দ্ৰই অনুমতি দিলে।

তেতিয়া লক্ষ্মণ পূৰ্ণোদ্যমে মহাৰাজ ৰাৱণৰ সন্মুখীন হ'ল। আৰু—

আৰু লগে লগে হনুমানও ৰাৱণৰ সন্মুখলৈ গ'ল আৰু ৰাৱণক ক'লে, "হে ৰাৱণ! তুমি দেৱ দানৱ গন্ধৰ্ব যক্ষ আদিৰ বিৰুদ্ধে সদায়েই বিজয়ী হৈছা— এই কথা সত্য। কিন্তু তুমি বানৰৰ হাতত যথেষ্ট অপদস্থ হ'ব লাগিব। ময়েই তোমাক প্ৰথম মাৰ মাৰিম।"

হনুমানৰ কথা শুনি ৰাৱণ ক্ৰোধেৰে আৰক্ত হৈ উঠিল আৰু ক'লে, "ৰে হনুমান! মোক তুমি নিৰভয়ে মাৰা। এটা বান্দৰে ত্ৰিলোকবিজয়ী ৰাৱণ মহাৰাজক মাৰিছিল — এই শাশ্বত কীৰিতিৰ অধিকাৰী হোৱা। তাৰ পাছত মই

তোমাক যমৰ আলহী কৰি পঠাম।"

"এবাৰ মনত পেলোৱাচোন—তোমাৰ পুত্ৰ অক্ষ মোৰ মাৰ খায়েই মৰিল।" হনুমানে পুনৰ ক'লে।

এই কথা শুনি ৰাৱণৰজাই হনুমানৰ বুকুত এটা ঢৰা চাপৰ মাৰি দিলে। আৰু লগে লগে হনুমানেও ৰাৱণৰজাৰ বুকুত থপা এটা মাৰিলে। হনুমানৰ থপাৰে ৰাৱণ বাগৰি পৰিল। পৰিল হ'ল আৰু এই দৃশ্য দেখি বানৰ সৈন্যসকলে বিৰাট আনন্দত জঁপিয়াই থাকিল।

ৰাৱণৰজাই হনুমানৰ এনেহেন বিস্ময়কৰ পৰাক্ৰমৰ শলাগ ল'লে।

কিন্তু হনুমান ক'লে, "হে ৰাৱণ! মোৰ পৰাক্ৰমৰ প্ৰশংসা তোমাৰপৰা নালাগে। মোৰ মাৰ খায়োযে তুমি এতিয়াও জীয়াই আছা—সেয়ে মোৰ কাৰণে চিন্তাৰ বিষয়। আকৌ এবাৰ মোক মাৰা, তেতিয়া এঘোচাৰে তোমাকেই মই সেই যমৰ আলহী কৰি পঠাম।"

হনুমান এনে দম্ভালি সহিব নোৱাৰি ৰাৱণৰজাই হনুমানৰ বুকুত এটা বিৰাট ঘোচা মাৰি দিলে। এই ঘোচাটি খাই হনুমানৰ মূৰ আচন্দ্ৰাই কৰি উঠিল। হনুমান পুনৰ এই অৱস্থাৰপৰা মূৰ দাঙি থিয় হোৱাৰ আগতেই ৰাৱণে নীলৰ সৈতে যুঁজিবলৈ গ'ল।

নীল হ'ল বানৰসেনাৰ অধিনায়ক। ৰাৱণে যেতিয়া বিভিন্ন ধৰণৰ বাণেৰে বানৰসৈন্যক তথা নীলকো অতিষ্ঠ কৰি তুলিলে, তেতিয়া নীলে ৰাৱণলৈ টোঁৱাই গণ্ডশিলা নামৰ বিৰাট শিল দলিয়ালে।

ইতিমধ্যে হনুমানও তাত উপস্থিত হ'লহি। হনুমানে ৰাৱণক ক'লে, "এতিয়া আন কাৰোবাৰ সৈতে যুঁজিছা বুলিহে কথমপি সাৰিলা!"

ৰাৱণে নীল-নিক্ষিপ্ত গণ্ডশিলা বাণেৰে খণ্ড-বিখণ্ড কৰিলে আৰু এক বিশেষ আগ্নেয়বাণ নিক্ষেপ কৰি নীলক অচেতন

কৰি পেলালে। আৰু তাৰ পাছত লক্ষ্মণৰ সৈতে এহাত যুঁজিবলৈ ৰথ চলাবলৈ আদেশ দিলে।

লক্ষ্মণে ৰাৱণৰজাক ক'লে, "হে ৰাক্ষসৰাজ! এইবোৰ বানৰৰ বিৰুদ্ধে যুঁজি শক্তিক্ষয় কৰি কি হ'ব? যদি হিম্মত (সাহস) আছে—মোৰে সৈতে যুঁজাহি!"

"লক্ষ্মণ! তোমাৰ চাউল টুটি অহা বুলিহে তেনেকৈ লম্ফ-জম্ফ কৰিছা। মই এতিয়াই তোমাক তোমাৰ গন্তব্যঠাই যমপুৰীলৈ পঠাইছোঁ ৰ'বা।" ৰাৱণে ক'লে।

"হে পাপাত্মা! আত্মস্তুতি নকৰিবা। তোমাৰ পৰাক্ৰম আৰু বাহাদুৰীৰ কথা মই বঢ়িয়াকৈ জ্ঞাত হৈছোঁ। মই তোমাৰ বিৰুদ্ধে ৰণ দিবলৈ সাজু হৈয়েই আছোঁ।" লক্ষ্মণে ৰাৱণলৈ প্ৰত্যাহ্বান জানলে। লগে লগে ৰাৱণে লক্ষ্মণলৈ বুলি বাণ এৰিলে, আৰু লক্ষ্মণেও সেই বাণ নিমিষতে বাণ মাৰি বিনষ্ট কৰি পেলালে। এইদৰে উভয়ৰ মাজত বাণযুদ্ধ চলি থাকোঁতে হঠাৎ লক্ষ্মণ মূৰ্ছিত হৈ পৰিল।

চকুৰ পচাৰ নৌপৰোঁতেই হনুমান তালৈ ধুমুহা অহাদি আহিল আৰু ৰাৱণক এক প্ৰচণ্ড ঘোচাৰে মাটিলৈ বগৰাই পেলালে। ৰাৱণৰ মুখ, কাণ আৰু নাকেদি ধাৰাসাৰ তেজ ওলাবলৈ ধৰিলে।

হনুমানে মূৰ্ছিত লক্ষ্মণক দাঙি লৈ ৰামচন্দ্ৰৰ ওচৰ পালেগৈ।

অলপ সময়ৰ অন্তত ৰাৱণেও চেতনা ঘূৰাই পালে, আৰু তেওঁ পুনৰ যুদ্ধলৈ সাজু হৈ ৰথাশ্ব চলাই দিলে।

আৰু এইবাৰ স্বয়ং শ্ৰীৰামচন্দ্ৰ ৰাক্ষস ৰাৱণৰ বিৰুদ্ধে ৰণ দিবলৈ আগুৱাই গ'ল। শ্ৰীৰামচন্দ্ৰক হাত দাঙি ৰখাই হনুমানে ক'লে, "মহাৰাজ ৰাৱণৰ বিৰুদ্ধে যুঁজিবলৈ, হে মোৰ প্ৰভু, আপুনি মোৰ স্কন্ধোপৰি উঠি যুদ্ধ কৰক।"

হনুমানৰ এই পৰামৰ্শ ৰামচন্দ্ৰই মানি ল'লে।

"জি তুমি ক্লান্ত হৈ পৰিছা। তোমাক এতিক্ষণে বধিব পাৰোঁ, কিন্তু নবধোঁ। তুমি তোমাৰ প্ৰসাদলৈ গৈ বিশ্ৰাম লোৱা, আৰু তাৰ পাছত পুনৰ যুদ্ধলৈ সাজু হৈ আহাঁ। তোমাৰ মই বিশ্ৰাম কৰিবলৈ অনুমতি প্ৰদান কৰিছোঁ।"

মহাৰাজ ৰাৱণ যথেষ্ট লজ্জিত হ'ল, কিন্তু তেওঁ ৰাজপ্ৰাসাদলৈ উলটিল।

তাৰ পাছত ৰাম-লক্ষ্মণ উভয়েই আহত বানৰসেনাৰ সেৱালৈ আত্মনিয়োগ কৰিলে।

প্ৰাসাদলৈ উলটি গৈ ৰাৱণ মহাৰাজে নিজৰ সহচৰবিলাকৰ আগত সখেদে ক'লে, "মই ইন্দ্ৰতকৈ কোনোগুণে কম নহওঁ, তথাপি নগণ্য এক নৰৰ হাতত পৰাজিত হ'লোঁ। মোৰ সকলো জপ-তপ নিষ্ফল হ'ল। মনুষ্যৰপৰা মোৰ বিপদ হ'ব পাৰে বুলি তেতিয়া ব্ৰহ্মা-দেৱতাই মোক কৈছিল যে—সেই কথা অৱশেষত সত্য হ'ল। যি কি নহওক মই তেতিয়া মনুষ্যৰ বিৰুদ্ধে বৰ খোজা নাছিলোঁ।—তেতিয়া ব্ৰহ্মা-দেৱতাৰ কোনো দায়িত্ব নাই এই কথাত।—তোমালোকে এতিয়া কুম্ভকৰ্ণক নিদ্ৰাৰপৰা জাগ্ৰত কৰাগৈ, অনতিপলমে কুম্ভকৰ্ণক জগোৱা।"

ৰাম-ৰাৱণৰ যুদ্ধ আৰম্ভ হোৱাৰ মাত্ৰ ন'দিনৰ আগতে কুম্ভকৰ্ণ নিদ্ৰামগ্ন হৈছিল।

ৰাৱণৰজাই ৰামচন্দ্ৰৰ বাহন হনুমানলৈ চোকা বাণ এৰিলে। কিন্তু সেই বাণ বিদ্ধ হোৱাত হনুমানৰ তেজ-বিক্ৰম কমক ছাৰি বাঢ়িহে গ'ল।

ৰামচন্দ্ৰই হনুমানৰ বাণবিদ্ধ অৱস্থা দেখি ৰাৱণৰ ৰথৰ অশ্ব, ৰথছত্ৰ, সাৰথি আদিক একে একে বগৰাই পেলাই পাছত ৰাৱণলৈ এক মোক্ষম বাণ প্ৰয়োগ কৰি ৰাৱণক অচেতন কৰি বগৰাই পেলালে।

এপাট অৰ্ধচন্দ্ৰাকাৰ বাণেৰে ৰামচন্দ্ৰই ৰাৱণৰজাৰ ৰাজমুকুট চূৰ্ণ-বিচূৰ্ণ কৰিলে আৰু পুনৰ চেতনাপ্ৰাপ্ত ৰাৱণক ক'লে, "হে ৰাৱণ! আমাৰ অসংখ্য বীৰৰ বিৰুদ্ধে

Sankar

ৰাৱণ মহাৰাজে ভাবিছিল যে কুম্ভকৰ্ণ ৰণথলীলৈ যোৱা মাত্ৰেই কুম্ভকৰ্ণক দেখি ৰাম-লক্ষ্মণে বেঙে মূতা গৰুৰ দৰে পলাই সাৰিব। কিয়নো, কুম্ভকৰ্ণ আছিল নিষ্পাপ ৰাক্ষস, কোনো প্ৰকাৰৰ শাপ-অভিশাপ কোনেও কুম্ভকৰ্ণ দিয়া নাছিল।

বহু কষ্টেৰে যেতিয়া জগ-ঝম্প বজাই কুম্ভকৰ্ণক নিদ্ৰাৰপৰা জগোৱা হ'ল, তেতিয়া জাগি উঠিয়েই কুম্ভকৰ্ণই ৰাক্ষস-বিলাকক সুধিলে, "তোমালোকে মোক কিয় জগালা? কাৰো কোনো প্ৰকাৰৰ বিপদ-বিঘিনি হোৱা নাই তো—?"

যদিও এনেকৈ সুধিলে, তথাপি কুম্ভকৰ্ণই নাভাবি নোৱাৰিলে যে তেওঁক অসময়ত নিদ্ৰোত্থিত কৰাৰ মাজত নিশ্চয় কিবা ৰহস্য আছে।

ৰাৱণৰ মন্ত্ৰী যূপাক্ষই কুম্ভকৰ্ণৰ প্ৰশ্নৰ উত্তৰ এইদৰে দিলে:

"কুম্ভকৰ্ণ! ইয়াৰ আগতে আমি কোনো দেৱতা দানৱ দৈত্য যক্ষ আদিৰপৰা কদাপি বিপদৰ সন্মুখীন হোৱা নাছিলোঁ—যি বিপদ এতিয়া বানৰ আৰু বিশেষকৈ নৰৰপৰা হৈছে। এটা বানৰে আমাৰ সুৰম্য সুৰক্ষিত লংকানগৰীৰ ঠায়ে ঠায়ে জুই লগাই দিলে আৰু ৰামচন্দ্ৰ নামৰ সামান্য নৰ এটাই আমাৰ মহাপ্ৰতাপী ত্ৰিলোক-বিজয়ী ৰাৱণ মহাৰাজক যুদ্ধত বেয়াকৈ পৰাজিত তথা বন্দী কৰিও এৰি দিলে। এই পৰাভৱ, এনে অপমান সহ্যৰ অতীত।"

কুম্ভকৰ্ণই সদৰ্পে মাটিত ঠটা গোৰ মাৰি ক'লে, "মই কেৱল সেই নগণ্য বান্দৰমখাকে নহয়, ৰাম-লক্ষ্মণকো এইক্ষণে কেঁচাই কেঁচাই খাই পেলাম!"

তেতিয়া মহোদৰে হাত যুৰি কুম্ভকৰ্ণক ক'লে, "হে কুম্ভকৰ্ণ! তুমি এইবোৰ কৰাৰ আগতে মহাৰাজ ৰাৱণৰ ওচৰলৈ ব'লা, পাছতো ৰাম-লক্ষ্মণহঁতক ফন্দাই দি কোবাব বা চোবাব পাৰিবা।"

# আকল

কোনোবা এখন গাঁৱত এগৰাকী বিধৱা মানুহ আছিল। তেওঁৰ আছিল একেটি মাথোন পো, আৰু সেই পো-টি আছিল পেট ফালিলেও ক এটা নোলোৱাৰ, ছোঁ একেবাৰে ভোলা-ভেলেঙা। ৰাইজে তাক ভোলানাথ বুলি মাতিছিল।

এদিন ভোলাই তাৰ মাকক হঠাৎ কৈ উঠিল, "মোৰ অলপো বুদ্ধি থকাহেঁতেন তোমাৰ কষ্ট কিমান যে কম হ'লহেঁতেন!"

পুতেকক বুজনি দিয়াৰ সুৰতে মাকে ক'লে, "বোপা, দুনিয়াখনৰ সকলোটি একেইবিধৰ বুদ্ধিমান হ'ব পাৰেনো? তোমাক ভগৱানে বুদ্ধি দিয়া নাই যদি—কি হ'ল? তোমাক যে কিমান মহৎ মন দিছে—? তোমাক যে শ্ৰম কৰিবপৰা দেহশক্তি দিছে? তাৰ মূল্য নাইনে?"

মাকে পুতেকক—ভোলানাথক এইদৰে বুজানি দিয়ে, কিন্তু সি সদায় তাৰ মাকক সোধে, "কোৱা, মা, মই কিছুখিনি বুদ্ধি কেনেকৈ ক'ৰপৰা পাম।"

জলা-কলা হৈ মাকে এদিন ক'লে, "তেনেহ'লে যাগৈ যা. তই সেই কালী-পাহাৰীলৈ যা, সেই পাহাৰৰ নামনিত থাকে যাদুকৰী জৃম্ভিকা বুঢ়ী, তাইক খাট গৈ যা তোৰ মগজুত বুদ্ধি দিবলৈ।"

মাকে ক'বলৈ পালেহে, ভোজৰ খাহী ভোলানাথ তেতিয়াই কালীপাহাৰীলৈ বুলি খোজ ল'লে।

ভোলাই জৃম্ভিকা বুঢ়ীক ক'লেগৈ, "অ' যাদুকৰী পেহী, মই হ'লোঁ ভোলা—বাঁহ গছৰ ভোলৰ দৰে হৈ আছোঁ. কণা-মাকৰিৰ সমান আকল-বুধিও মোৰ নাই,

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

মোক অলপ আকল-বুধি দিয়া, পেহী!"

জ্‌ন্তিকা যাদুকৰী বুঢ়ীয়ে ভোলাৰ ভৰিৰপৰা মূৰৰ চুলিলৈকে চাই লৈ ক'লে, "হৈ যাব, দিম। পিছে—তই আটাইতকৈ ভালপোৱা বস্তু লৈ আহগৈ, তেতিয়া পাবি।"

ভোলা ঘৰলৈ ঘূৰিল। শুনি মাকে ক'লে, 'হাৰে! তই আটাইতকৈ ভাল পোৱা বস্তু হ'ল কুকুৰাৰ মঙহ।"

ভোলাই যাদুকৰীক ক'লেগৈ, "পেহী, "এয়া লোৱা, মই আটাইতকৈ ভাল পোৱা বস্তু লোৱা, মোক আকল-বুধি দিয়া।"

ভাল, দিম। পিছে—তোৰ কথা যে সঁচা আগতে জানি ল'ব লাগিব, তেহে। মোৰ প্ৰশ্নৰ উত্তৰ দেচোন। ঠেং-ভৰি নোহোৱাকৈ কোনেনো গৈ থাকিব পাৰে?"

ভোলানাথে ভাবিলে আৰু তাৰ পাছত ক'ব নোৱাৰিব বুলি ক'লে।

তেতিয়া যাদুকৰী জ্‌ন্তিকা বুঢ়ীয়ে—ভোলাক ক'লে, "তাৰ মানে — তই আটাইতকৈ ভাল পোৱা বস্তু নাই অনা। ঠিক আছে, আকৌ লৈ আহগৈ যা।"

ভোলা উভতি অহাৰ লগে লগেই বিপাণ্ডত পৰিল। তাৰ মাকৰ তেতিয়া যোৱা-থোৱা অৱস্থা। মাকৰ পক্ষাঘাত।

মাকে সেহাই সেহাই ভোলাক ক'লে, "বোপা, মোক যমে মাতি পঠাইছে, যাব লাগিব। জ্‌ন্তিকা যাদুকৰীয়ে তোক নিশ্চয় আকল বুধি দিলেই। জানিবি—আকল আছে যাৰ, সকল আছে তাৰ। এতিয়া তোৰ আৰু চিন্তা নাই। মই নিঃচিন্ত হৈ সিপুৰীলৈ খোজ লওঁ—বোপা!" এই বুলি কৈয়েই ভোলাৰ মাক স্বৰ্গী বা নৰ্কী হ'ল, ভোলা হ'ল মাউৰা।

ৰাতিৰ পৰতে ভোলাই কান্দি কান্দি ভাবি থাকিল: মা নাই যাৰ, একো নাই তাৰ। এতিয়া মোৰ কথা কোনেনো আৰু ভাবিব? — এইবোৰ-এনেবোৰ ভাবি থাকোঁতেই সি এটা কথা আৱিষ্কাৰ কৰিলে যে সি দুনিয়াত আটাইতকৈ ভাল পোৱা

বস্তু হ'ল—তাৰ মাক।

ৰাতিও পুৱাল, আৰু মাকৰ মৃতদেহ বস্তা এটাত ভৰাই লৈ ভোলাও জ্যোতিকা যাদুকৰীৰ ওচৰলৈ বুলি ওলাল।

এইবাৰ ভোলাই নিঃচিন্ত মনেৰে ক'লে, "পেহী, মই আটাইতকৈ ভাল পোৱা বস্তু লৈ আহিছোঁ।"

"তাৰ কথাৰ সঁচা-মিছাৰ পৰীক্ষা ল'ম, তেহে তোক আকল-বুধি দিম। কচোন, ক' সোণতকৈও জিলমিলোৱা বস্তু কি?"

ভোলাই বহুতোপৰলৈকে চিন্তিলে, ভোলাক চেলাই খোৱা ভেলাই ডাকা দিলে; কিন্তু একো ক'ব নোৱাৰিলে।

যাদুকৰী জ্যোতিকা বুঢ়ীয়ে এইবাৰো তাৰ তাক আটাতকৈ ভাল পোৱা বস্তু লৈ পুনৰ আহিবলৈ ক'লে।

ভেলেঙা ভোলাই আৰুনো কি কৰিব? অলপ দূৰ বাট কুৰি যাই গৈ, বাটৰ এঢ়াতিত বৈ, বহি বহি কান্দিবলৈ ধৰিলে।

তেতিয়া হঠাৎ তাক কোনোবা এজনীয়ে পিছফালৰপৰা সুধিলে, "কান্দিছা কেলেইনো? কি হ'ল তোমাৰ?" ভেদেঙা ভোলাই চালে মানুহজনীলৈ, এইজনী ৰূপৱতী এজনী কন্যাহে দেখোন।

ছোৱালীজনীয়ে ক'লে, "মোৰ নাম ৰাধা। তোমাৰ কি হৈছে মোক কোৱা, মই পাৰিলে কিবা এটা কৰিম।"

মৰমতে পমি ভোলাই ভল ভলকৈ সকলো কথা কৈ দিলে। নিজৰ মাকৰ কথা, জ্যোতিকাৰ কথা, আকল-বুধি বিচাৰি তালৈ যোৱাৰ কথা—সকলো।

শুনি ৰাধাই হাঁহি হাঁহি ক'লে, "ঠেং-ভৰি নথকাকৈ নৈয়ে গৈ থাকিব পাৰে, সূৰ্য্য হ'ল সোণতকৈও অধিক জিল-মিলোৱা। এইখিনি কথাও নাজানাই যেতিয়া, তোমাক কোনোবা এজনী লাগিবই দেখিছোঁ চোৱা-মেলা কৰাৰ কাৰণে। ঠিক আছে, ময়েই তোমাক চোৱা-মেলা কৰিম বাৰু, মোক বিয়া

কৰাবা ? পছন হ'বনে মোক ?"

"তোমাৰ যি মত—মোৰো সেয়ে।" ভোলাই ভালৰি বোলালে।

তাৰ পাছত ভোলাই ৰাধাক বা ৰাধাই ভোলাক বিয়া কৰালে।

ভোলাই ৰাধাক খুব মৰম কৰি থাকিল, ৰাধায়ো ভোলাক। দুয়ো যথেষ্ট সুখী হ'ল। কিছুদিনৰ পাছত ভোলাই এটা কথা আৱিষ্কাৰ কৰা হ'ল যে—এই ঘৰিণী ৰাধাৰাণীতকৈ ভাল—ইহ জগতখনত সি আৰু কোনো বস্তুকে নাপায়।

গতিকে ভোলা পুনৰ এদিন কালী-পাহাৰীৰ যাদুকৰী জংন্তিকা বুঢ়ীৰ কাষ চাপিল। এইবাৰ ৰাধাৰাণীক লগত লৈ গ'ল। গৈ ক'লে, "পেহী, এইবাৰ সঁচাসঁচিকৈ মই মোৰ আটাইতকৈ ভাল পোৱা বস্তু লৈ আহিছোঁ, এয়া লোৱা।"

জংন্তিকা বুঢ়ী যাদুকৰীয়ে এবাৰ দুয়োলৈ ভালকৈ চাই ল'লে আৰু তাৰ পাছত সুধিলে, "কোৱা, ওপজোঁতে ঠেং নাই, পাছত দুঠেং পাই, তাৰো পাছত চাৰি ঠেং —নাম তাৰ কি ভাই ?"

ভোলাই মূৰ আৰু টিকা একেলগে খজুৱাই থকা দেখি ৰাধাই গুন-গুনকৈ ভোলাৰ কাণে কাণে ক'লে, "কোৱা—তাৰ নাম বেং।"

ভোলাই জংন্তিকা বুঢ়ীক ক'লে, "তাৰ নাম—বেং !"

"ভাল !" জংন্তিকা বুঢ়ীয়ে সোলা মুখৰ ভোলা হাঁহিৰে আলু উলিয়াই ৰাধালৈ চাই ক'লে, নোহয় তাই ডাকল, তায়েই তোমাৰ আকল—চব জানিবা চব সুধিবা তায়েই ক'ব সকল। মই আজিৰপৰা বাদ, তাইক নকৰা বৰ্বাদ, এয়ে থাকিল তোমালৈ মোৰ আশীৰ্বাদ।"

দুয়ো যাদুকৰী জংন্তিকা বুঢ়ীক প্ৰণাম কৰি বিদায় লৈ হাঁহি হাঁহি তাৰপৰা গুচি গ'ল।

# দৰব নোহোৱা বেজালি

চিকিৎসক হিচাপে চন্দ্ৰকান্ত নতুন চিকিৎসক। পঢ়ি-শিকি সদ্যহতেহে এই জীৱিকা লৈছে। এদিন চন্দ্ৰকান্ত বেজৰ ওচৰত এজন বেমাৰী আহিল, সাঁচৰা বেমাৰৰ বেমাৰী। আনকি কুষ্ঠও হ'ব পাৰে। দৰব-পাতি দিয়াৰ পাছত বেমাৰী মানুহজন গুচি গ'ল, কিন্তু চন্দ্ৰকান্ত এই সাঁচৰা বেমাৰৰ ভয়ত কঁপি থাকিল। চন্দ্ৰকান্তৰ এনে অৱস্থালৈ চাই পৰিবাৰ কুন্তলাই সুধিলে, "আপোনাৰ হঠাৎ কি হ'ল?"

"এতিয়াই এজন বেমাৰী আহিছিল—সাঁচৰা বেমাৰৰ বেমাৰী। আনকি—কুষ্ঠও যে নহয়, তাকো এতিয়াই ন-দি ক'ব নোৱাৰি। এই বেমাৰে মোকো কিজানি ছুলেই।" চন্দ্ৰকান্তই ক'লে।

তাৰ পাছত অৱস্থা এনেকুৱা হ'ল যে—চন্দ্ৰকান্তৰ মুখৰপৰা আৰু মাত-বোলেই নোলোৱা হ'ল। চন্দ্ৰকান্ত একেবাৰে বোবা হৈ পৰিল। পৰিবাৰ কুন্তলাই মাত-বোল কৰাবলৈ বহু ধৰণে চেষ্টা কৰি চালে, কিন্তু বহু চেষ্টাতো একো ফল নধৰিল, চন্দ্ৰকান্ত বোবা হৈ থাকিল।

কুন্তলাই ভয় খাই চন্দ্ৰকান্তৰ মোমায়েক দণ্ডনাথৰ ঘৰলৈ বুলি খোজ ল'লে।

দণ্ডনাথ হ'ল হৰিপুৰ অঞ্চলৰ নামজলা চিকিৎসক আৰু চন্দ্ৰকান্তৰ মোমায়েক। চিকিৎসা-বিদ্যা শিক্ষা কৰিছিল।

কুন্তলাক প্ৰায় দৌৰি অহা ধৰণে খোজ লোৱা দেখা পাই দণ্ডনাথ কিছু বিস্মিত হ'ল। ভাবিলে: কিনো হ'ল কুন্তলাইঁতৰ? ভাবি থাকোঁতেই হেঁপাই-ফোঁপাই কুন্তলাই দণ্ডনাথক ক'লেহি,

বসুধা গোহাঞি

“আপুনি আমাৰ তালৈ এতিয়াই অলপ ব'লক। কথা হ'ল—।”

কুন্তলাই চন্দ্ৰনাথৰ বৰ্তমান অৱস্থাৰ কথা, আৰু সেই সোঁচৰা বেমাৰৰ বেমাৰী এজন অহাৰপৰা কি হৈছে-নহৈছে সেইবোৰ কথাও দণ্ডনাথক ক'লে।

দণ্ডনাথো তৎক্ষণাৎ চন্দ্ৰকান্তৰ ঘৰলৈ আহিল। চন্দ্ৰকান্তই কোনো মাত-বোল নকৰিলে। মোমায়েক দণ্ডনাথে যিমানেই যি সুধিলে, তাৰ উত্তৰত চন্দ্ৰকান্ত ভেবা লাগি চাই ৰ'ল। মোমায়েক দণ্ডনাথে চন্দ্ৰকান্তৰ অসুখৰ বিষয়ে কিমান যে প্ৰশ্ন কৰিলে, কিন্তু চন্দ্ৰকান্তই একো এটাও উত্তৰ নিদিয়া বোবাটো হৈ থাকিল।

দণ্ডনাথ মোমায়েকে কুন্তলাক ক'লে, “চন্দ্ৰকান্ত আচলতে সম্পূৰ্ণ সুস্থ। কোনো বেমাৰ-আজাৰ নাই, কোনো ধৰণৰ সোঁচৰা বেমাৰৰো চিন মোকাম দেখা নাই, তথাপি যে চন্দ্ৰকান্তই ঠিৰ ঠিৰকৈ কঁপিছে—তাৰ কাৰণ হ'ল যে সি কল্পিত ভাবে ভয় খাইছে, লগতে তাৰ জাৰও লাগিছে কিজানি। পিছে—মাত-বোল যে কৰিব পৰা নাই—তাৰ কাৰণে শল্য-চিকিৎসা আৱশ্যক হ'ব, মূৰ ফালি চাব লাগিব। ইতিমধ্যে — চন্দ্ৰকান্তক একেৰাহে তিনিদিন ধৰি কেৰেলাৰে বনোৱা টেঙা, কেৰেলাৰ আঞ্জা, খাৰ-কেৰেলা আদিৰে ভাত খাবলৈ দিবা। তদুপৰি কেৰেলা সিজাই এনেয়ে চোবাই খালেও ভাল। আৰু—খোৱাপানীৰ সলনি কেৰেলাৰ ৰস পি-খাবলৈ দিবা।”

কুন্তলাজনীয়ে কেৰেলাৰে যিমান পদ-পদাৰ্থ পাৰিলে ৰান্ধিলে। তাৰ পাছত চন্দ্ৰকান্তক ভাত খাবলৈ মাতিলে।

ভাতমুঠি খাবলৈ বহিয়েই চন্দ্ৰকান্ত জাঁপ মাৰি উঠিল, “এইবোৰ তুমি কি ৰান্ধিছাহে—? মই যে কেৰেলা নাখাওঁ—খাব যে নোৱাৰোঁ একেবাৰে—তুমি বাৰু নাজানানে কি ? মই অসুস্থ মানুহ—

অলপ ভাল ভাল বস্তু ৰান্ধি-বাঢ়ি খাবলৈ দিবা—খাই ভাল পাম—তাকে নকৰি মই যাতে এমুঠিও খাব নোৱাৰোঁ তাৰহে বন্দৰস্ত কৰিছা! বাঃ! চমৎকাৰ!"

গিৰিয়েকৰ এইবোৰ চিঞৰ-বাখৰ শুনি কুন্তলাই কিন্তু অলপো দুখ-বেজাৰ নাপালে। কুন্তলাজনী মিচিক-মাচাককৈ হাঁহি থাকা দেখি গিৰিয়েক চন্দ্ৰকান্তই গিৰ্জনি মাৰি কৈ উঠিল, "বোলোঁ—কথানো কি? কোনোবা এজনৰ সৰ্বনাশত দেখিছোঁ কোনোবাজনীৰ বিহু বিহু লাগি গৈছে! এনেবোৰ শিপা কটা কাম—কেতিয়াৰপৰা শিকিলাহে তুমি?"

"তেনেহ'লে—" কুন্তলাজনীয়ে হাঁহি হাঁহিয়েই কৈ থাকিল, "তেনেহ'লে—শল্য-চিকিৎসা বিনেও দেখিছোঁ মাত-বোল ওলায়। আপোনাৰ দণ্ডনাথ মোমায়েৰাৰয়ো এই কথায়েই কৈ গৈছিল যে—এনেকুৱা হ'ব পাৰে। মই কিন্তু খুবেই ভাল পাইছোঁ দণ্ডনাথ মোমায়েৰাৰ দৰব নোহোৱা বেজালিত। এই বেজালিৰ তুলনা নাই।"

তেতিয়াহে চন্দকান্তই আচল কথা গম পালে! দৰব নোহোৱা চিকিৎসাও যে এবিধ চিকিৎসা, চিকিৎসাৰ সেই গূঢ় তত্ত্ব পদে-প্ৰমাণে পাই চন্দ্ৰকান্তই ভালেই পালে। এনে অভিনৱ চিকিৎসাৰ ৰহস্য মোমায়েক দণ্ডনাথে ইমান কাল ধৰি জানিও যে কিয় চন্দ্ৰকান্তক কোৱা নাছিল বা শিকোৱা নাছিল, সেই কথাটোহে চন্দ্ৰকান্তই ঠাৱৰ কৰিব নোৱাৰিলে।

পাছ দিনাই চন্দ্ৰকান্ত মোমায়েকৰ ওচৰলৈ গ'ল আৰু মোমায়েকক এই বিষয়ে সোধাত মোমায়েক দণ্ডনাথে হাঁহি মাৰি ক'লে, "যি বেমাৰত বেমাৰ নাই, সেই বেমাৰৰ দৰব নাই—এই সাধাৰণ কথাটো বুজিবলৈকো যাৰ মগজু নাই, তাৰ দেখোন বেজালি কৰাৰো যুক্তি নাই!"

উত্তৰ শুনি চন্দ্ৰকান্ত বোবা হৈ পৰিল।

# তন্ত্ৰ-শক্তি প্ৰেম-শক্তি

একালত কাশ্মীৰ দেশত এঘৰ ক্ষত্ৰিয় মানুহ আছিল। এই ক্ষত্ৰিয় গৃহস্থৰ আছিল একেজনী ছোৱালী। ছোৱালীজনীৰ নাম আছিল সীমন্তিনী। সীমন্তিনী দেখাত আছিল ধুনীয়াৰো ধুনীয়া আৰু তাইৰ সা-সম্পত্তিও আছিল প্ৰচুৰ। সেইদেখি, সেই অঞ্চলৰ ভালেমান যুৱকে তাইক বিয়া কৰাব খুজিছিল। বিশেষকৈ গণদেৱ নামৰ যুৱক এজনে সীমন্তিনীক প্ৰকৃততেই ভাল পাই পেলাইছিল। কিন্তু সীমন্তিনীৰহে বিয়ালৈ মন নাই। তাই সকলোকে 'নহয়' বুলি কৈ দিলে।

সীমন্তিনী অন্য ধৰণৰ ছোৱালী। তাই ভাল পায় দৈৱী-শক্তিৰ আৰাধনা। বেতালক বশীভূত কৰা, অনৰ দেহলৈ প্ৰবেশ কৰা, কাম ৰূপ তথা কাম-গমন আদি সিদ্ধি প্ৰাপ্ত কৰা—আদিলৈ বিভিন্ন ধৰণৰ পূজা ব্ৰত উপবাস আদি কৰে।

এইবোৰ ব্ৰত উদ্‌যাপন তথা আচাৰ-ধৰ্ম পালনৰ যোগেদি তাই তন্ত্ৰ-শক্তিৰ অধিকাৰিণী হ'ব—এয়ে তাইৰ বাসনা।

গণদেৱে সদা-সৰ্বক্ষণ এটা কথা চিন্তি থাকে—সীমন্তিনীক কেনেকৈ সহজ-সাধাৰণ জীৱনলৈ ঘূৰাই অনা যাব। কিন্তু—যেতিয়া তাইৰ মনত এনেবোৰ তন্ত্ৰশক্তিলৈ আকৰ্ষণ নাছিল, তাই সাধাৰণ ছোৱালী হৈ আছিল যেতিয়া, তেতিয়াও তাই বিয়ালৈ অমান্তি হৈছিল।

কিছুদিনৰ অন্তত—গণদেৱৰ মনত এই দৃঢ়তাৰ সৃষ্টি হ'ল যে — যেনেকৈয়েই নহওক সীমন্তিনীক এনেবোৰ অথন্তৰৰপৰা ৰক্ষা কৰিব লাগিব। ভাবি ভাবি—

**'কাশ্মীৰৰ লোক-কথা'**

পিংগলিনী নামৰ এজনী বুঢ়ী যাদুকৰীৰ কথা মনত পৰিল তাৰ। পিংগলিনী যাদুকৰী আছিল এজনী অদ্ভুত-আচৰিত জনা তন্ত্ৰ-মন্ত্ৰ যাদুকৰী।

গণদেৱৰ কথাখিনি মনপুতি শুনাৰ অন্তত পিংগলিনীয়ে গণদেৱক সুধিলে, "সীমন্তিনী যদি তন্ত্ৰশক্তিৰ অধিকাৰিণী হয়ও, তোমাৰনো কি ক্ষতি? কাপলিনী জীৱনত আনন্দ নাই বুলি ভাবানে?"

"আনন্দ হয়তো আছে—কিন্তু সুখ নাই।" গণদেৱে পিংগলিনী যাদুকৰীক খাৰাখাচ কৈ দিলে।

"ঠিক, এই কথা ময়ো মানি লৈছোঁ। তোমাৰ পৰিবাৰ হ'লেহে তাই তাইৰ মানৱী জীৱনত সুখৰ সন্ধান পাব।" পিংগলিনীয়ে গণদেৱক ক'লে।

"সেইহে তোমাক অনুৰোধ কৰিছোঁ—তাই মোৰ হ'ব পৰাকৈ কিবা এটা উপায় কৰি দিয়া, মই ওৰে জীৱনলৈ তোমাৰ ওচৰত ধৰুৱা হৈ থাকিম।" গণদেৱে পিংগলিনী যাদুকৰীক কলে।

"ঠিক আছে, মই তোমাক উপায় দিম। মই যেনেকৈ যি কৰিবলৈ ক'ম—কৰিবা। অহা আউসীৰ দিনা চিকাৰী কুকুৰ লগত লৈ জংগললৈ যাবা। কিন্তু কোনো জন্তু-জানোৱাৰ নামৰিবা। যদি বগা

হৰিণা দেখা পোৱা—তৎক্ষণাৎ ধৰিবা। কিন্তু মনত ৰাখিবা হৰিণাজনীক ঘাইল কৰিব নোৱাৰিবা। হৰিণাজনীক খেদি খেদি ধৰিবা. ধৰি—ডিঙিত ৰছীৰে বান্ধি তোমাৰ ঘৰলৈ নিবা. আৰু নি—এটা কোঠাত ভৰাই তলা মাৰি থৈ দিবা। বাদবাকী কাম—মই বাৰু চাম।" পিংগলিনীয়ে ক'লে।

গণদেৱক বিদায় দিয়াৰ পাছত পিংগলিনী উভতি গৈ থাকোঁতে তাই বুঢ়ীয়ে খোঁৰাই থকালৈ গণদেৱৰ চকু পৰিল।

যা হওক—গণদেৱে পিংগলিনী যাদুকৰীয়ে কোৱামতেই কাম কৰা হ'ল। চিকাৰী কুকুৰ লগত লৈ জংগললৈ যোৱা

হ'ল, বগা হৰিণা পোৱা হ'ল, আৰু হৰিণাজনীক ধৰিবলৈ চিকাৰী কুকুৰ এৰি দিয়া হ'ল। কিন্তু হৰিণাজনীয়ে বতাহৰ লগত কথা পাতিহে দৌৰি আছিল, কুকুৰে তাইক ধৰিব নোৱাৰিলে।

কেইনিমিষমানৰ পাছত আন এটা কুকুৰে হৰিণাজনীক খেদি থাকিল, আৰু এই কুকুৰটোৱে হৰিণাজনীৰ পিছফালৰ ঠেং এখনত লাহেকৈ কামুৰি ধৰাত হৰিণাজনী বৈ দিবলৈ বাধ্য হ'ল। এই কুকুৰটো আছিল খোঁৰা। যি কি নহওক, এই আগে নেদেখা কুকুৰটোৰ সহায়ত গণদেৱে হৰিণাজনীক ধৰি নি—এটা কোঠাত ভৰাই থৈ—কোঠাটোত তলা মাৰি দিলে।

যি কুকুৰটোৱে হৰিণাজনীক খেদি ধৰিছিল, সেই কুকুৰটোক গণদেৱে পাছত তন্ন তন্নকৈ বিচাৰিও আৰু দেখা নাপালে।

তাৰ পাছত সাঁজলাগি ভাগিল। খোৱা-বোৱা কৰাৰ অন্তত গণদেৱে শুলে গৈ। ধলপুৰাতে ভুঁইকঁপে গোটেই ঘৰটো জোকাৰি যোৱা যেন পাই গণদেৱে মপজপকৈ সাৰ পাই হৰিণাজনী থকা তলাবন্ধ কোঠাটো খুলিলেগৈ, কিন্তু তলাবন্ধ কোঠাটোৰপৰা হৰিণাজনী কেনেকৈ যে নোহোৱা হৈ গ'ল—তাৰ উৰাদিহ বিচাৰি উলিয়াব নোৱাৰিলে। কোঠাটোত হৰিণাজনীৰ ঠাইত সীমন্তিনী-জনীহে বহি আছিল! অকল্পনীয় দৃশ্য দেখি গণদেৱ হতবাক হৈ পৰিল।

কিন্তু কোনো ভুঁইকঁপ বা তেনেকুৱা প্ৰাকৃতিক বিপৰ্য্যয় হোৱা নাছিল। কেৱল —অপ-শক্তিবোৰে সীমন্তিনীৰ দেহ এৰি গুচি গৈছিল মাথোন।

এইবাৰ সীমন্তিনীয়ে গণদেৱক বিয়া কৰাবলৈ 'হয়' কৰিলে, আৰু এইদৰে গণদেৱে সীমন্তিনীক জয়ে জয়ে 'জয়' কৰি সুখে-শান্তিৰে জীৱন অতিবাহিত কৰিলে।



## এশ জালুকৰ আগ !

বাংগালোৰৰ প্ৰখ্যাত 'লালবাগ গাৰ্ডেন্স'ত এক আচৰিত তালজাতীয় গছ আছে। এই গছৰ নাম —'ছেঞ্চুৰি পাম্'। এই উদ্যানত আছেও এই গছ কেইবাজোপা, আৰু এশ বছৰৰপৰা আছে। এই তাল গছত এশ বছৰত মাত্ৰ এবাৰ ফুল ফুলে। এই তালৰ বোটানিক নাম হ'ল 'ক'ৰিফ্যা আম্ব্ৰাক'লিফেৰা'। বাংগালোৰৰ লালবাগ উদ্যানত এই শতিকাৰ প্ৰথম ভাগত এই গছ ৰোপণ কৰা হৈছিল। কাৰ্নাটকাৰ ছাউথ কানাড়াৰ চৰমুডি ঘাটত থকা এজোপা ছেঞ্চুৰি পামত ৮০ চনৰ আগভাগত ফুল ফুলিছিল। হয়তো কাকতালীয় ঘটনা, তথাপি মৰিছাছৰ বোটানিক্যাল গাৰ্ডেন্সত থকা এই পাম্ গছতো এই বছৰতো ফুল ফুলিছে। এই পাম্ গছত হেনো ৬০ বছৰত এবাৰ ফুল ফুলে !

## নিৰ্য্যাসৰ নাম নূৰজাহান !

ধুনীয়া ধুনীয়া গোলাপৰ ধুনীয়া ধুনীয়া নামও থাকে। আমাৰ দেশৰ এশ বিধৰ গোলাপৰ মাজত নূৰ-জহাঁ বা নূৰজাহান নামক গোলাপ অন্যতম এবিধ গোলাপ। পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ গোলাপ হিচাপে জনাজাত বুলগেৰিয়া গোলাপ—যিবিধৰপৰা গোলাপৰ নিৰ্য্যাস উলিউৱা হয় - এই নূৰজাহান গোলাপৰপৰা তাতাকৈ এশভাগ অধিক নিৰ্য্যাস উলিউৱাব পাৰি বুলি আমাৰ দেশৰ ছেণ্ট্ৰাল ইনস্টিটিউট অভ্ মেডিছিন্যাল অ্যাণ্ড অ্যাৰোমেটিক প্ল্যাণ্টছে অভিমত প্ৰকাশ কৰিছে। এই নিৰ্য্যাসক 'নূৰজাহান নিৰ্য্যাস' বুলি ক'ব পাৰি।

# GET OFF TO A FLYING START *with*




LION
## PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
## PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.






LION *Gee-flo*® BALLPENS

035 carbine 050 carborite

**Tungsten carbide tips.**

Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

**LION PENCILS LTD.**
95, Parijat Marine Drive, Bombay 400 002.

BENSON&HEDGES WORLD CUP 1992

**OFFICIAL LICENSEE OF THE WORLD CUP**

National-766

## ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ অকটʼবাৰ সংখ্যাত প্ৰকাশিত হʼব ।



M. Natarajan

Mahatesh C. Morabad.

ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হʼব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে

* মিল থাকিব লাগিব। ১৯৯২ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহʼব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হʼব।
* ফটো-নামকৰণ কেৱল পʼষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026.

### ১৯৯২ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : জীৱ-জড়

দ্বিতীয় ফটো : উলহৰ কৈশৰ

মুকুট কলিতা, জালুকবাৰী পুলিছ কোৱাৰ্টাৰ, জালুকবাৰী ৭৮১ ০১৪ ।

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

**Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026**

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

# সকলোৰে আহাছোন কেম্পকো-ৰ গাবলৈ গুণ!

“গাখীৰৰ গুণ আৰু পুষ্টিও আছে ওপচি, সেয়ে যঁও খাবলৈ সকলো নেওচা।
এনে এটা চকোলেট - আছে সকলো যত, কেম্পকো ক্ৰীমি মিল্ক চকোলেট।”

**ভাৰতৰ এটাইতকৈ ডাঙৰ, সবাতোকৈ আধুনিক প্লাণ্টত তৈৰি।**
কেম্পকো লিমিটেড, মাঙ্গালোৰ.

R K SWAMY/BBDO CL 10117 AS

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

# চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্.
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙনি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 252.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 252.00

আপোনাৰ বৰঙণি বেংক ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ চান্দমামা পাবলিকেশ্যনছ চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA (Assamese) August 1992 Regd. No. TN/MS (S)/87